# ছিপাঝাৰ মহাবিদ্যালয়

# আলোচনী

ছিপাঝাৰ মহা বিদ্যালয়

বিদ্বান সৰ্ব্বত্ৰ পূজ্যতে

দৰং - অসম

১৯৯৩ - ৯৪

ESTD 1971

SIPAJHAR COLLEGE

: শ্ৰীমন্ত চহৰীয়া

শৰৎ কলিতা

1993 - 94

# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

Estd. -1971
Date.........

বছৰেকীয়া প্ৰকাশ ঃ একাদশ সংখ্যা

১৯৯৩—৯৪ চন

4

সম্পাদক—

তত্বাৱধায়ক—

শ্ৰীবিদ্যাৰাম নাথ, এম·এ

উপাধ্যক্ষ

ছিপাঝাৰ মহাবিদ্যালয় আলোচনী।

## ॥ সম্পাদনা সমিতি ॥

সভাপতি :

শ্ৰীৰেৱণ চন্দ্ৰ নাথ, এম-এ, ( অধ্যক্ষ )

তত্ত্বাৱধায়ক :

শ্ৰীবিদ্যাৰাম নাথ, এম-এ, ( উপাধ্যক্ষ )

সদস্য / সদস্যা :

শ্ৰীমহেন্দ্ৰ কটকী, এম-এ, ( ডাবোল ), বি-টি, এম-ফিল।
প্ৰবক্তা, অসমীয়া বিভাগ।

শ্ৰীমুকুল কুমাৰ চহৰীয়া, এম-এ,
প্ৰবক্তা, অসমীয়া বিভাগ।

শ্ৰীঅৰুণ নাথ
শ্ৰীগণেশ শৰ্মা
শ্ৰীসুভাষ নাথ
মঃ ইচাহাৰ আলি
শ্ৰীপাৰুল শৰ্মা
শ্ৰীভাগ্য দেৱী
শ্ৰীনিৰু দেৱী

সম্পাদক :

শ্ৰীমন্টু চহৰীয়া

বেটুপাত :

শ্ৰীশৰৎ কলিতা

ছপা :

● চক্ৰপাণি প্ৰিণ্টাৰ্চ, মঙ্গলদৈ ●

কৃতজ্ঞতা স্বীকাৰ :

ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ সন্থা, মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি, বন্ধু-বান্ধৱী ক্ৰমে, নিপেন, ভূপেন, বাপুকন, ভৰত, জয়ন্ত, হৰি, ৰবী, মীৰা, প্ৰীতি, বীণা, গীতা, লুচাই, দ্বিপেন, মহেশ, ষ্টুডিঅ জয়মতী আৰু চক্ৰপাণি প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী শ্ৰীকেশৱ ডেকাৰ লগতে সমূহ কৰ্মীবৃন্দ।

## ॥ সোঁৱৰণি ॥

আমি শ্ৰদ্ধাৰে সোঁৱৰিছো, মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা আন্তৰিকভাৱে জড়িত হৈ মহাবিদ্যালয়ৰ প্ৰগতিত অৰিহণা যোগোৱা–



→ ৺কেশৱ চন্দ্ৰ ভূঞা, ( মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক )
পিতৃ : ৺ৰত্নেশ্বৰ ভূঞা
মাতৃ : ৺প্ৰমীলা ভূঞা
জন্ম : ২৫ ফেব্ৰুৱাৰী ১৯১৫ চন।
মৃত্যু : ৭ জানুৱাৰী ১৯৯৪ চন।
গাওঁ : দক্ষিণ চুবুৰী।



৺হাচিমুদ্দিন আহমেদ, ( পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক, বিধায়ক )
পিতৃ : ৺চাহমত আলি।
জন্ম : ১০ ফেব্ৰুৱাৰী ১৯২৬ চন
মৃত্যু : ২৭ জুলাই ১৯৯৪ চন
গাওঁ : সানোৱা।




→ ৺হৰেণ ভূঞা, ( পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য )
পিতৃ : ৺চানাৰাম ভূঞা
জন্ম : ২১ নৱেম্বৰ ১৯১৭ চন।
মৃত্যু : ২ জানুৱাৰী ১৯৯৪ চন।
গাওঁ : দক্ষিণ চুবুৰী।

৺চমিৰুদ্দিন আহমেদ, (পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য)
জন্ম : ৮ জুন, ১৯০৮ চন।
মৃত্যু : ১৪ জুন, ১৯৯৩ চন।
গাওঁ : ভূক্তাবাৰী (দোকানপাৰা)



⟹ ৺সন্তোৰাম কলিতা, (মহাবিদ্যালয়ৰ ভৱন নিৰ্মাণৰ প্ৰথম মিস্ত্ৰী)
জন্ম : ১৯৩০ চন।
মৃত্যু : ২৯ অক্টোবৰ ১৯৯৩ চন।
গাওঁ : ভূক্তাবাৰী।

# সম্পাদকীয় ঃ



মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আমাৰ আন্তৰিক অভিনন্দন জনাই আলোচনীৰ সম্পাদকীয় মেজৰ পৰা তুষাৰ নিবেদিছো।

কোৱা প্ৰাসঙ্গিক যে, —সৃষ্টিশীল আবহাৱাৰ ফালৰ পৰা বৰ্ত্তমান যুগটোক অগতিশীল সাহিত্যৰ যুগ বা বাস্তৱবাদৰ যুগ বুলি কোৱা হয়। প্ৰগতিৰ অৰ্থ হৈছে—অন্তৰ্নিহিত বিকাশ। সাহিত্যিক দাৰ্শনিক বেলিন্‌স্কিৰ মতে,– প্ৰগতিশীল বিকাশৰ অন্তৰ্নিহিত ধাৰা হ'ল—সদায় নতুনৰ উদ্ভৱ। যদি নতুনৰ ফালে, ভৱিষ্যত অভিমুখে বিকাশমুখী কোনো প্ৰগতিশীল প্ৰবাহ নেথাকে, তেতিয়াহ'লে প্ৰগতিশীল বিকাশ বা তাৰ ইতিহাস বা জীৱন আদিৰ কোনো অস্তিত্বই নেথাকিব। তাৰোপৰি সত্যৰ পুনঃ প্ৰকাশেই সাহিত্য-কলাৰ উদ্দেশ্য নহয়। ই সমাজৰ প্ৰগতিশীল বিকাশ—আৰু বিবৰ্তনত অংশ গ্ৰহণ কৰে। সাহিত্য আৰু সাহিত্যিকৰ সঁচা সৃষ্টিয়ে জীৱন বীক্ষণৰ যোগেদি জীৱনৰ নৱ আস্বাদনৰ সূচনা কৰে। আৰু সেইবাবে তৃণমূল পৰ্য্যায়ৰ পৰাই তেওঁলোকৰ সৃষ্ট অনুভূতিয়ে পাঠকৰ মন আবেদন শীলতাৰে উদ্দীপিত কৰি তুলিব লাগিব, লগতে জীৱনৰ মূলধাৰা সম্পৰ্কে পাঠকৰ স্বকীয় দৃষ্টিভংগী সূচাব লাগিব। আলোচনী সাহিত্য, কিম্বা সংবাদ ধৰ্মী সাহিত্য প্ৰকাৰ ভেদে যিয়েই নহওঁক কিয়,—উদ্দেশ্য আৰু গুণগত দিশত এই আটাইবোৰ হ'ব লাগিব আমাৰ আহি থকা দিনবোৰৰ ছদ্মবেশৰ অতন্দ্ৰ প্ৰহৰী।

## আৰু এষাৰ ঃ

এইখিনিতে নকৈ নোৱাৰিলোঁ যে, যি সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ সহায় সহযোগ আৰু একনিষ্ঠাই মোক দ্বিতীয় বাৰো ছিপাঝাৰ মহাবিদ্যালয় আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰি ১৯৯৩-৯৪ চনৰ আলোচনীখন সম্পাদনাৰ বাবে আগবঢ়াই দিলে তেখেত সকলৈ মোৰ সদায়ে আন্তৰিক শলাগ আৰু শ্ৰদ্ধা অটুট থাকিব। ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকল—আপোনাসৱৰ সহায় সহানুভূতি আৰু বহুমূলীয়া উপদেশবোৰ আগত ৰাখিয়েই আপোনালোকৰ হাতত এই আলোচনীখন তুলি দিলো। ইয়াত থকা ভুল-ভ্ৰান্তিবোৰ গঠনমূলক সমালোচনাৰে সকিয়াই দিলে নথৈ আনন্দিত হম।

## কৃতজ্ঞতা স্বীকাৰ ঃ

মোৰ এই কাৰ্য্যকালত সৰ্ব্বতো প্ৰকাৰে বহুমূলীয়া পৰামৰ্শদাতা বিভাগীয় তত্বাৱধায়ক, উপাধ্যক্ষ চাৰ মাননীয় শ্ৰীবিদ্যাৰাম নাথ দেৱৰ ওচৰত চিৰ কৃতজ্ঞ।

পৰামৰ্শ আৰু সহায় সহযোগ আগবঢ়োৱা বাবে অধ্যক্ষ মাননীয় শ্ৰীৰেৱণ চন্দ্ৰ নাথ, অধ্যাপক শ্ৰীমহেন্দ্ৰ কটকী, শ্ৰীপ্ৰসন্ন কুমাৰ নাথ, শ্ৰীমুকুল কুমাৰ চহৰীয়া, শ্ৰীফনিন্দ্ৰ নাথ, শ্ৰীৰামচন্দ্ৰ ডেকা দেৱৰ লগতে সমূহ শিক্ষাগুৰু প্ৰমুখ্যে ছিপাঝাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ যাচিলোঁ। হৃদয়ৰ পবিত্ৰ ওলগ।

সদৌ শেষত ছিপাঝাৰ মহাবিদ্যালয় আলোচনীৰ উজ্জ্বল ভৱিষ্যত কামনাৰে—

সম্পাদক, আলোচনী

জয়তু ছিপাঝাৰ মহাবিদ্যালয়, আলোচনী।

## কৰ্ম্মৰত অৱস্থাত আমাৰ অধ্যক্ষ ঃ



মাননীয় শ্ৰীযুত ৰেৱণচন্দ্ৰ নাথ

# প্ৰবন্ধ

অসমীয়া জাতি গঠনত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ
শ্ৰীঅনিমা দেৱী / ১
মধ্যযুগীয় অসমীয়া সাহিত্যৰ কথাশৈলী
শ্ৰীমুকুল কুমাৰ চহৰীয়া / ৪
শ্ৰীমন্ত শঙ্কৰ দেৱৰ 'কীৰ্তন ঘোষা'
শ্ৰীপৰাগ কুমাৰ ডেকা / ১৩
সাম্প্ৰদায়িকতা আৰু ধৰ্মীয় সংকীৰ্ণতা
শ্ৰীপাৰুল শৰ্ম্মা / ১৮

# অসমীয়া জাতি গঠনত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ

শ্ৰীঅনিমা দেৱী
স্নাতক দ্বিতীয় বাৰ্ষিক

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ অসমীয়া জাতীয় জীৱনত এজন কেৱল ব্যক্তি নহয়, তেখেত এটা সুমহান জাতীয় প্ৰতিষ্ঠান বিশেষ। অসমীয়া তথা ভাৰতীয় জাতীয় জীৱনৰ এনে এটা দিশ নাই, য'ত মহাপুৰুষে পদক্ষেপ কৰা নাই। কি ধৰ্ম আচাৰ-নীতি কি সমাজ সাহিত্য কলা-কৃষ্টি, অসমীয়া সামগ্ৰীক জীৱনৰ স্তৰে স্তৰে, কোঁহে কোঁহে মহাপুৰুষৰ বলিষ্ঠ তুলিকাৰ পৰশ ঘটিছিল। দিগন্ত প্ৰসাৰী প্ৰতিভাৰ শাশ্বত প্ৰমূল্যৰ বলত মহাপুৰুষ নিজেও আজি সমুজ্জল হৈ জিলিকি আছে। জগতে অসমীয়া জাতিকো বিশিষ্ট মৰ্য্যাদাৰে জীয়াই থাকিবলৈ উদ্‌বুদ্ধ আৰু অনুপ্ৰাণিত কৰি ৰাখিব পাৰিছে।

তেওঁ অকল ধৰ্মগুৰু আৰু সংস্কৃতিৰ গুৰুয়েই নহয় অসমীয়া জাতীয় জীৱনৰো ভেটি। গুৰুজনাই যি জাতীয় ঐক্যৰ ভেটি বান্ধি থৈ গৈছে সেই আদৰ্শই আমাক অনুপ্ৰেৰণা দি আহিছে আৰু দি থাকিব। অসমীয়া সমাজত যুগ যুগ ধৰি চলি অহা সামাজিক বিশৃংখলতাবোৰ আঁতৰ কৰি এখন নিকা সমাজৰ ভেটি গঠন কৰিবলৈ অসমত এইজনা মহাপুৰুষৰ আবিৰ্ভাৱ হৈছিল। শংকৰদেৱ আছিল বহুধা বিভক্ত মধ্যযুগীয়া অসমীয়া সমাজৰ ঐক্যৰ প্ৰতিভূ। পণ্ডিত প্ৰৱৰ প্ৰয়াত বিৰিঞ্চি কুমাৰ বৰুৱা দেৱৰ ভাষাত,—

"A cementing force."

পোন্ধৰ শতিকাৰ সময়চোৱাত সমাজৰ ৰজা, জমিদাৰ, পৰিষদবৰ্গ আৰু তান্ত্ৰিক সকলেই আছিল ধৰ্ম-কৰ্মৰ প্ৰতিভূ। মন্দিৰত নৰবলি দিয়া হৈছিল আৰু কুমাৰী পূজাৰ আয়োজন কৰা হৈছিল। সাধাৰণ ৰাইজৰ অধিকাৰ বুলিবলৈ একো নাছিল। তেতিয়া শংকৰদেৱে ভাবিছিল সমাজৰ নিষ্পেষিত জন সাধাৰণক স্বাৰ্থ জড়িত কবলৰ পৰা উদ্ধাৰ কৰিব নোৱাৰিলে অসমীয়া সমাজৰ অস্তিত্ব বিপন্ন হব। সমাজখনৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশৰ বৈষম্য-ব্যভিচাৰবোৰ আঁতৰোৱাৰ বাবে ঐকান্তিক নিষ্ঠা আৰু সাধনাৰে বৈষ্ণৱ ধৰ্মৰ সৎ আদৰ্শক সমাজ সংস্কাৰৰ অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিছিল।

জাতি গঠনত মহাপুৰুষজনাৰ মহৎ কীৰ্ত্তি হৈছে সমাজত সকলো সম্প্ৰদায়ৰ মাজত উদাৰ সাম্যভাৱ বিস্তাৰ কৰা। তেওঁৰ এই সাম্যভাৱ আৰু উদাৰ মন্ত্ৰৰ বলতে অসমীয়া জাতি আজিও ভাৰতবৰ্ষৰ আন প্ৰদেশতকৈ উদাৰ আৰু কু-সংস্কাৰ মুক্ত। মহাত্মা গান্ধীৰ পাঁচশ বছৰৰ পূৰ্বতে শংকৰদেৱে অস্পৃশ্যতাৰ বিৰুদ্ধে সৱল মতবাদ পোষণ কৰিছিল -

"কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম"॥
"ব্ৰাহ্মণ চণ্ডালৰ নিবিচাৰি কুল
দাতাত চোৰ যেন দৃষ্টি এক তুল"॥

জাতীয় সংহতি প্ৰতিষ্ঠাৰ বাবে "মুছলমান দৰ্জী-ছান্দসাই"ক বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰি মহাপুৰুষে উদাৰ মনৰ পৰিচয় দিছিল। সমাজ গঠনৰ বাবেই মহাপুৰুষে নাম ঘৰ আৰু সত্ৰসমূহ প্ৰতিষ্ঠা কৰিছিল। বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে কৈছে, "ভাওনা ঘৰত সকলোৰে অধিকাৰ আছে, আৰু আছে ধনী দুখীয়া সকলোৰে নিমিত্তে এক কঠ-কুঁহিলাৰ আসন। উপযুক্ত সকলো বৰ্ণৰ লোকেই ভাওনাত ভাও লব পাৰে, সুত্ৰধাৰ হৈ ব্যাখ্যা কৰিব পাৰে, নটুৱা হৈ নাচিব পাৰে, গায়ন হৈ খোল-মৃদংগ বজাব পাৰে - ভাওনা ঘৰে এনেদৰে অসমীয়া সামাজিক সমতা ৰক্ষা কৰি আহিছে।"

অন্ধকাৰৰ গৰ্ভত পোত যোৱা অসমীয়া সমাজখনক সৰ্বাংগ সুন্দৰভাৱে সজাই তুলিবলৈ আৰু সমাজত বাস কৰা লোক সকলক বৈষ্ণৱ ধৰ্মৰ তত্ত্বোৰ সহজে বুজাই দিবৰ বাবে মহাপুৰুষ জনাই সাহিত্যৰ সৃষ্টি কৰিছিল। পৰ্বত-ভৈয়ামৰ সকলো সমাজৰ সম্প্ৰীতি, নগা, মিৰি, মিকিৰ আদি পৰ্বতীয়া জাতিৰ মানুহৰ মাজতো তেৰাই এই ধৰ্ম প্ৰচাৰ কৰি এটা বৃহৎ অসমীয়া জাতি গঢ়াৰ প্ৰচেষ্টা চলাইছিল। সমাজ গঠনত উপজাতি সমূহৰ ঐক্যৰ ভাৱ যে অতীব প্ৰয়োজন, সেইকথা উপলব্ধি কৰিয়েই স্ত্ৰী, শুদ্ৰ, চণ্ডাল, মুছলমান, নগা, গাৰো, মিকিৰ আদিৰ মাজত থকা বৈষম্যবোৰ আঁতৰাই সমাজত সাম্যৰ জয়ধ্বজা উৰুৱাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল।

বৃহৎ অসমীয়া জাতি গঠনৰ বাবেই মহাপুৰুষ শংকৰদেৱে নামঘৰ আৰু সত্ৰ সমূহ প্ৰতিষ্ঠা কৰিছিল। নামঘৰ আৰু সত্ৰৰমাজেদি তেওঁ গণতন্ত্ৰৰ ভেটি প্ৰতিষ্ঠা কৰিছিল। শংকৰদেৱ আছিল গণতন্ত্ৰৰ প্ৰথম পূজাৰী। মহাত্মা গান্ধীয়ে সমগ্ৰ ভাৰতৰে গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে আন্দোলন কৰিছিল, কিন্তু সেই গণতন্ত্ৰৰ বীজ সুদূৰ পঞ্চদশ শতিকাতে শংকৰদেৱে অসমৰ মাটিতে সিচি থৈ গৈছে - নামঘৰ আৰু সত্ৰৰ মাজেৰে।

যেতিয়া গোটেই পৃথিৱীতে কোনো জাতিয়ে নাট্য-সাহিত্যৰ সোৱাদ পোৱা নাছিল, তেতিয়া শংকৰদেৱে অংকীয়া নাটৰ যোগেদি অসমীয়া নাট্যসাহিত্যৰ ভেটি ৰচনা কৰিছিল। অসমীয়া জাতি তথা সাহিত্যলৈ তেখেতৰ অৱদান সমূহক গঢ় বা ৰূপ অনুসৰি এইদৰে ভগাব পাৰি,—কাব্য, ভক্তিতত্ব প্ৰকাশক গ্ৰন্থ, অংকীয়া নাট, অনুবাদমূলক ভটিমা, নাম-প্ৰসংগ আৰু বৰগীত।

মহাপুৰুষ জনাই ছকুৰি বছৰীয়া কৰ্মময় জীৱনত অসমীয়া জাতিত বৈষ্ণৱ সাহিত্যৰ যোগেদি 'সমন্বয়বাদ' স্থাপন কৰিছিল। "নাৰাহে ভকতি জাতি-অজাতি" অৰ্থাৎ ভক্তি মাৰ্গত সকলোৰে অধিকাৰ সমান।

অসমীয়া জাতি গঠনত মহাপুৰুষ জনাৰ যি কৃতিত্ব মহাপ্ৰাণতা আৰু বিপ্লৱীয় অৱদান, সি সমসাময়িক ভাৰতৰ আন আন ঠাইৰো তেওঁ প্ৰথাৱলম্বী ধৰ্ম-কৰ্ম সাধক মহাপুৰুষ সকলৰ তুলনাত বিশেষ বিশেষত্বৰে বিভূষিত। অসমীয়া জাতিত এনে এটি গৃহ নাই - যাৰ গৃহত গুৰুজনাৰ আদৰ্শ নাই। শংকৰদেৱ অসমীয়া জাতিৰ গুৰু, অসমীয়া সমাজৰ পিতৃ, -

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাহি নাহি আৰ
আমাৰ পৰম গুৰু॥

গুৰুজনাৰ প্ৰতি আমাৰ আন্তৰিক শ্ৰদ্ধা প্ৰদান কৰা হব যেতিয়া, তেওঁ দি যোৱা পথৰ সন্ধানক বাস্তৱত পৰিণত কৰিব পাৰিম। মহান পুৰুষজনাৰ জীৱনাদৰ্শৰ প্ৰাসঙ্গিকতা আমাৰ জীৱনৰ প্ৰত্যেকটি স্তৰতে অতি প্ৰয়োজনীয় তাক গভীৰ ভাৱে উপলব্ধি কৰা সময় নিশ্চয় সমাগত। সেয়েহে মহাপুৰুষ মাধৱদেৱে লিখি থৈ গৈছে -

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।"

॥ জয়তু জগদগুৰু শ্ৰীমন্ত শংকৰদেৱ ॥



# মধ্যযুগীয় অসমীয়া সাহিত্যৰ কথাশৈলী

শ্ৰীমুকুল কুমাৰ চহৰীয়া, এম-এ
প্ৰৱক্তা অসমীয়া বিভাগ

অসমীয়া ভাষা আৰু সাহিত্যক ইয়াৰ বিকাশ আৰু ৰচনাৰ ক্ৰমানুসাৰে তিনিটা যুগত ভাগ কৰা হৈছে। খৃষ্টীয় ৯৫০ শতিকাৰ পৰা ১৩০০ শতিকালৈ আদি যুগ; খৃষ্টীয় ১৩০০ শতিকাৰ পৰা ১৮৩০ শতিকালৈ মধ্য যুগ আৰু খৃষ্টীয় ১৮২৬ শতিকাৰ পৰা বৰ্ত্তমানলৈ আধুনিক যুগত ধৰা হৈছে। ইয়াৰ আদি যুগৰ ভিতৰত অসমীয়া মৌখিক সাহিত্য আৰু চৰ্য্যাপদ সমূহ প্ৰাক্ শংকৰী, শংকৰী আৰু উত্তৰ শংকৰী যুগৰ সাহিত্য খিনিক মধ্য যুগত আৰু অৰুণোদয়'ৰ পৰা বৰ্ত্তমানলৈ অসমীয়া ভাষাৰ যি সাহিত্য সৃষ্টি হৈছে তাক আধুনিক যুগত সামৰি লোৱা হৈছে—

এতিয়া আমাৰ প্ৰসংগ হ'ল– মধ্য যুগৰ সাহিত্য ৰাজিৰ কথাশৈলীৰ স্বৰূপনো কি? তাৰ আগতে কোৱা সমীচীন হব যে, 'কথাশৈলী' নো কি আৰু অসমীয়া ভাষাত মধ্য যুগৰ আগচোৱাত এই কথাশৈলীৰ কিবা নিদৰ্শন আমাৰ হাতত আছে নে নাই? একে আষাৰতে কবলৈ হলে কথাশৈলী হল মানুহৰ কথা কোৱাৰ ভঙ্গী বা ঠাঁচ। ই লিখিতও হব পাৰে কথিতও হব পাৰে। এই কথা শৈলীকে আকৌ গদ্যশৈলী বুলিও কোৱা হয়। মানুহে কথা বতৰা গদ্যতহে পাতে, পদ্যত নহয়। তথাপি সাহিত্যৰ বুৰঞ্জীত গদ্য ৰচনাৰ জন্ম পদ্যতকৈ বহু পিছতহে হৈছে। অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো গদ্যতকৈ পদ্যতহে প্ৰথমে সাহিত্য ৰচিত হৈছিল। মধ্য যুগৰ আগছোৱাত অসমীয়া সাহিত্যৰ আদি যুগৰ যি সাহিত্যৰ নিদৰ্শন আমাৰ হাতত আছে সেইবোৰ গীত আৰু পদতহে পোৱা যায়। সেইবোৰ প্ৰায়ে মুখে মুখে প্ৰচলিত আছিল। অৱশ্যে নেপালৰ ৰাজদৰবাৰত উদ্ধাৰ হোৱা চৰ্য্যাপদ সমূহে অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন দাঙি ধৰে। এই আটাইবোৰেই ছন্দতহে ৰচিত হৈছিল। সাধাৰণ কথাও ছন্দৰ মাধ্যমেৰেই প্ৰকাশ কৰা হৈছিল। গতিকে খোৰতে কৈ থব পাৰি যে মধ্য যুগৰ আগলৈ অৰ্থাৎ ত্ৰয়োদশ চতুৰ্দশ শতিকালৈ তেনে কোনো গদ্য সাহিত্যৰ নিদৰ্শন আমাৰ হাতত নাই। অৱশ্যে যি মৌখিক মন্ত্ৰ সাহিত্য প্ৰাচীন কালৰ পৰাই অসমত প্ৰচলিত আছে সেইবোৰৰ ভাষাই অসমীয়া গদ্যৰ কিছু আভাস দাঙি ধৰে।

পুৰণি অসমত শিক্ষিত লোকৰ সংখ্যা তাকৰীয়া আছিল। পাঠকৰ মন আকৰ্ষণ কৰিবলৈ সেয়ে ছন্দবদ্ধ আৰু সংগীত ধৰ্মীয় কাব্যই উৎকৃষ্ট মাধ্যম বুলি সৃষ্টিকৰ্ত্তা সকলে ভাবিছিল। অৱশ্যে এটা কথা ঠিক যে দৈনন্দিন জীৱনৰ লগত সম্বন্ধ নোহোৱা ভাষাৰ সাঁচত কোনো জাতীয় সাহিত্যৰ প্ৰাণ আবদ্ধ হৈ থাকিব নোৱাৰে। কাব্য হ'ল কেৱল শিক্ষিত শ্ৰেণীৰ বাবেহে। নিৰক্ষৰ সকলে এনে কাব্য সাহিত্যৰ পৰা কোনো শিক্ষা বা আনন্দ উপভোগৰ সুযোগ নাপায়।

মধ্য যুগৰ প্ৰায় অসমীয়া সমাজখনেই নিৰক্ষৰ আছিল। আনহাতে এই যুগতেই অসমীয়া ভাষা আৰু সাহিত্যই বিকাশৰ পথত যথেষ্ট আগবাঢ়ে। মধ্য যুগৰ মধ্য ভাগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হয়। শংকৰদেৱৰ যুগটোক অসমীয়া সাহিত্যত শংকৰী যুগ' (সোণালী যুগ) বুলি অভিহিত কৰা হৈছে। তেওঁৰ আগৰ যুগটোক প্ৰাক্‌শংকৰী যুগ বুলি ধৰা হৈছে। শংকৰদেৱৰ পিছৰ যুগটোক উত্তৰ শংকৰী যুগ বুলি কোৱা হৈছে। এই তিনিওটা যুগক একেলগে মধ্য যুগ বুলি কোৱা হৈছে। মধ্য যুগৰ সাহিত্যৰ উদ্দেশ্য আছিল বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰা। সেয়ে এই যুগটোক বৈষ্ণৱ সাহিত্যৰ যুগ বুলি কলেও ভুল কৰা নহব।

প্ৰাক্‌শংকৰী যুগৰ সাহিত্যও আছিল কাব্যহে। অৱশ্যে কাব্যবোৰৰ মাজত দুই এটা অসমীয়া গদ্যৰ নিদৰ্শন ফুটি নুঠা নহয়। উদাহৰণ স্বৰূপে এই যুগৰ কবি হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত' কাব্যত ""  "" "য়েহি বুলি নাৰায়ণে সভা বিসৰ্জিলা।" "দেখে হৰি স্মৰি প্ৰহ্লাদ বসি আছে।" – আদিৰ দৰে বাক্য সমূহে চতুৰ্দশ শতিকাৰ কাব্য সমূহৰ ভাবাত্ত কাব্যগন্ধী গদ্যৰ আভাস দাঙি ধৰা যেন পৰিলক্ষিত হয়।

অসমীয়া সাহিত্যত গদ্যৰ উৎপত্তি হয় মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ হাতত, শংকৰী যুগত। সাহিত্যৰ প্ৰকাশ মাধ্যম হিচাপে এওঁৰ হাততেই পোন প্ৰথম অসমীয়া গদ্যই মুক্তি লাভ কৰে, তেখেতৰ অভিনৱ সৃষ্টি অংকীয়া নাটৰ সংলাপ সমূহত। এই সংলাপ সমূহৰ মাজেদিয়েই অসমীয়া গদ্যৰ বিবৰ্ত্তন আৰম্ভ হয়। তেওঁৰ আৰ্হিতে প্ৰধান শিষ্য মাধৱদেৱেও যিবোৰ 'ঝুমুৰা' (কেৱল অৰ্জুন ভঞ্জনহে নাট) ৰচনা কৰিছিল তাৰ সংলাপ সমূহেও অসমীয়া গদ্যৰ চানেকী দাঙি ধৰে। মহাপুৰুষৰ "ৰুক্মিণী হৰণ" নাটত ৰুক্মিনীয়ে শ্ৰীকৃষ্ণলৈ প্ৰেৰণ কৰা পত্ৰখনিৰ ভাষাই অসমীয়া গদ্যৰ উৎকৃষ্ট চানেকী। অসমীয়া গদ্যত চিঠি লিখাৰ আদৰ্শ শংকৰদেৱেই দেখুৱাই। কালিৰাম মেধিয়ে নাটখনি ৰচনাৰ সময় খৃষ্টীয় ১৫৪১ শতিকা বুলি দেখুৱাই, গতিকে চিঠিৰ গদ্যও সেই সময়ৰ। চিঠি খনৰ ভাষা অতি প্ৰাঞ্জল আৰু গাম্ভীৰ্য পূৰ্ণ। ভাব

ভাৱ আবেগময় অথচ শালীনতাপূৰ্ণ আৰু সমস্যা সমাধানৰ উপায়ো তাত আছে। উল্লেখযোগ্য মধ্য যুগীয় ভাৰতীয় প্ৰাদেশিক ভাষাত লিখা এইখনেই প্ৰথম প্ৰেম পত্ৰ।

অসমীয়া সাহিত্যতে ভাৰতৰ ভিতৰত প্ৰথম কথা সাহিত্যৰ উৎপত্তি হয়। সেয়া শংকৰদেৱৰ হাতত। অৱশ্যে তেওঁৰ গদ্যৰ ভাষা আধুনিক অসমীয়া গদ্য বুলিব নোৱাৰি। ইয়াক ব্ৰজাৱলী বুলিহে কোৱা হয়। বস্তুতে এই ভাষাৰ জুমুঠি মিথিলা বা ব্ৰজধামৰ বুলি কয়। শংকৰদেৱে তেওঁৰ নাটত ব্ৰজাৱলী ব্যৱহাৰ কিয় কৰিলে সেইটো লক্ষ্য কৰিবলগীয়া। বৈষ্ণৱ ধৰ্ম প্ৰচাৰেই যিহেতু তেওঁৰ সাহিত্য চৰ্চাৰ উদ্দেশ্য, সেয়ে সৰ্বভাৰতীয় দৃষ্টিত কৃত্ৰিম ভাষা ব্ৰজাৱলীকে তেওঁ নাটত প্ৰয়োগ কৰিলে। কিয়নো যি ভাষাত অসমীয়া বঙালী উৰিয়া হিন্দী মাৰাঠী আদি প্ৰায়বোৰ প্ৰান্তীয় ভাষাৰ কম বেছি পৰিমাণে বৈশিষ্ট নিহিত আছে, ফলত সেই ভাষাৰ প্ৰত্যেক লোকৰেই উক্ত ভাষাতো বুজাত সহজ লভ্য হব। আনহাতে শংকৰ দেৱে কাব্য, ভটিমা, গীত আদি সৃষ্টি কৰাৰ পিছতো নাটক সৃষ্টিত কিয়নো হাত দিলে তাৰো নিশ্চয় কাৰণ নোহোৱা নহয়। ইয়াৰ মুল কাৰণ নিশ্চয় মধ্য যুগীয় নিৰক্ষৰ সমাজখনক কাব্যৰ জৰিয়তে বৈষ্ণৱ ধৰ্মৰ মৰ্ম উপলব্ধি কৰোৱাতো জটিলতা অনুভৱ কৰিছিল — সেয়ে সৰ্বসাধাৰণে কথা কোৱা ভংগীমাত কাৰ্য্যৰ জৰিয়তে তাৰ মৰ্ম বুজাব খুজিছিল।

ব্ৰজাৱলী ভাষা হোৱা হেতুকে সমসাময়িক সমাজৰ কথিত গদ্যৰ ওপৰত প্ৰতিষ্ঠিত নহলেও অসমীয়া লিখকে লিখা 'অংকীয়া নাটৰ' গদ্যই অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন বুলিব লাগিব। অৱশ্যে শংকৰদেৱতকৈ মাধৱদেৱৰ নাটৰ ভাষা অসমীয়া ভাষাৰ অধিক ওচৰ চপা, অসমীয়া ঘৰুৱা। পৰৱৰ্তী কালৰ নাট্যকাৰ সকলৰ ভাষাত ব্ৰজাৱলীৰ পৰিবৰ্ত্তে পুৰণি অসমীয়া ভাষাৰ প্ৰভাৱহে পৰিলক্ষিত হয়।

অংকীয়া নাটৰ কথাশৈলী লয়যুক্ত আৰু বৃত্তগন্ধী। অনুপ্ৰাস অলংকাৰৰ সঘণ প্ৰয়োগ মন কৰিবলগীয়া। যেনে— "জগতক পৰম পুৰুষ পুৰুষোত্তম সনাতন ব্ৰহ্মা মহেশ সেৱিত চৰণ পংকজ নাৰায়ণ শ্ৰীশ্ৰীকৃষ্ণ।" (কালিয় দমন নাট)। অংকীয়া নাটৰ কথন ভংগীত ঘৰুৱা ঠাঁচ বিদ্যমান। বাক্যবোৰ চুটি চুটি আৰু সৰল। কম শব্দেৰে বেছি ভাৱ প্ৰকাশৰ বাহন। ফলত শব্দবোৰ প্ৰায়ে সমাসযুক্ত। ঘৰুৱা ভাষাত প্ৰয়োগ হোৱা খণ্ডবাক্য, শব্দ, ফকৰা যোজনা আদিৰ উপৰিও সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাৰ প্ৰভাৱো পৰিলক্ষিত হয়। ধ্বনি, শব্দৰূপ, ধাতুৰূপ আৰু পদ প্ৰয়োগত প্ৰাকৃত ভাষাৰ ওচৰ চাপিছে। শব্দৰ শেষত প্ৰায়ে প্ৰাকৃতৰ দৰে স্বৰধ্বনিৰ উচ্চাৰণ হয়। ঋ-কাৰ অন্যস্বৰ অথবা 'ৰ' যুক্তস্বৰ ৰূপে ব্যৱহাৰ কৰা দেখা যায়। যেনে— ঘৰিণী < গৃহিণী মাই < মাতৃ। প্ৰাকৃত ভাষাৰ দৰে মহাপ্ৰাণ ধ্বনি 'হ' লৈ পৰিবৰ্ত্তণ হয়। যেনে - মুহ < মুখ, বিহি < বিধি। ইয়াৰ উপৰিও অংকীয়া নাটৰ কথাশৈলীত হ্ৰস্ব-দীৰ্ঘ ধ্বনি, দন্ত মৰ্ধ্ণ্য ধ্বনিৰ পাৰ্থক্য নাই। শ, ষ, স তিনিওটা শিশ্ ধ্বনিৰো সমান প্ৰয়োগ দেখা যায়। যুক্ত ব্যঞ্জনৰ প্ৰয়োগ যথেষ্ট কম। যেনে - শবদ < শব্দ, ভকতি < ভক্তি। 'য' কাৰৰ প্ৰয়োগ বাদ দিয়া হৈছে। যেনে - ধিয়ান < ধ্যান, জৌতি < জ্যোতি। 'ৱ' ৰ ঠাইত 'অ' ৰ ব্যৱহাৰ কৰাতো অংকীয়া নাটৰ ভাষাত চাবলগীয়া। যেনে - যাঅ < যাৱ, বেঅহাৰ < ব্যৱহাৰ।

ধ্বনিগত বৈশিষ্ট্যৰ দৰে ৰূপগত বৈশিষ্টলৈ চাওঁ তেনেহলে নাটৰ ভাষাত দেখা যায় যে অহি—ইহি, ওহি আদি প্ৰথমা বিভক্তিৰ ব্যৱহাৰ কৰিছিল। যেনে - "ওহি কোটি ব্ৰহ্মাণ্ড ঈশ্বৰ নাৰায়ণ জানি।" ক, - কহু, কৃ ২য়া, এ, — হি, —ই - তৃতীয়া বিভক্তি হিচাৱে প্ৰয়োগ কৰিছিল। আধুনিক চতুৰ্থী বিভক্তি-লৈৰ পৰিবৰ্ত্তে লাগি বা— লাই অংকীয়া নাটৰ ভাষাত ব্যৱহাৰ কৰিছিল যেনে— "ৰমনক দ্বীপ তোহেক লাগি সপৰিবাৰে চলহ" "চলল কালি ৰমনক লাই।" (কালিয় দমন নাট) পঞ্চমী বিভক্তি—হন্তে আৰু - সন্তে ব্যৱহাৰ কৰিছিল। অসমাপিকা ক্ৰিয়া— ই কেতিয়াবা—ইএ, —ইয়া ব্যৱহাৰ কৰিছিল। ইয়াৰ বাহিৰেও কৃৎ, তদ্ধিৎ, নিৰ্দিষ্টত বাচক, অনিৰ্দিষ্টতা বাচক, সংখ্যাবাচক, ক্ৰিয়াবাচক, প্ৰত্যয়ৰ উপৰিও বিশেষ্য, বিশেষণ, সৰ্বনাম, অব্যয়, ধাতু, কাল, কাৰক, বচন, সমাস, লিংগ, অনুকাৰ-অনুৰূপ শব্দ, ধন্যাত্মক শব্দ, অনুসৰ্গ, উপসৰ্গ আদিৰ যদি সুক্ষ্মাতিসুক্ষ্ম বিশ্লেষণ কৰা যায় তেন্তে আধুনিক অসমীয়া ভাষাৰ লগত কিছু তাৰতম্য হলেও বহুখিনি বৈশিষ্ট অংকীয়া নাটৰ কথাশৈলীত পৰিলক্ষিত হয়।

মাধৱ দেৱৰ 'ঝুমুৰা' সমূহত প্ৰচুৰ থলুৱা শব্দৰ প্ৰয়োগ হোৱা দেখা যায় যদিও শব্দগত বৈশিষ্ট বিচাৰ কৰিলে নাট সমূহত তৎসম, তদ্ভৱ, অৰ্দ্ধতৎসম, শব্দৰ প্ৰয়োগ যথেষ্ট দেখা যায়। তলত কিছুমান উদাহৰণ দিয়া হ'ল—

তৎসম শব্দ : - প্ৰচণ্ড উৰ্মি, ৰোল, আন্দোল, কল্লোল, শ্যাম, ঘনশ্যাম, পীতবাস, নিৰ্ঘাত, চক্ষু, তন্নিমিত্ত ইত্যাদি, সমাসযুক্ত তৎসম শব্দ—পুৰুষোত্তম, পৰম পুৰুষ, ৰাজনন্দিনী, ৰঘুকুল কমল, কেশবেশ বনিয়ে ইত্যাদি—

অৰ্দ্ধতৎসম শব্দ : - ভকত < ভক্ত, মৰম < মৰ্ম' শকতি < শক্তি, আত্মা < আত্মা, মাৰগ < মাৰ্গ, ভগিনী < ভগ্নী ইত্যাদি।

তদ্ভৱ শব্দ :— পুতা, হাত, দেখাৱত, কাৰত, ধিকাৰ ইত্যাদি। কথিত শব্দ :— বিটাল, গেল, যাই, ভতাৰ, পিঠাপনা ইত্যাদি। অংকীয়া নাটৰ বাক্য গাঠনি আধুনিক অসমীয়া ভাষাৰ বহুখিনি ওচৰ চপা।

অংকীয়া নাটৰ গদ্যৰ জৰিয়তে অসমীয়া কালজয়ী লিখিত সাহিত্যৰ গদ্যই বিকাশৰ পথত আগবাঢ়ি ষোড়শ শতিকাত কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্যৰ হাতত ফলেফুলে জাতিষ্কাৰ হৈ পৰে। প্ৰকৃতাৰ্থত ভট্টদেৱহে অসমীয়া 'গদ্য' বা 'কথা'ৰ জন্মদাতা। এওঁ গীতা; ভাগৱত আৰু ৰত্নাৱলীৰ দৰে ওজগধূৰ গ্ৰন্থ কেইখন তেখেতৰ গুৰু দামোদৰ দেৱৰ আদেশত অসমীয়া গদ্যত

অনুবাদ কৰি অসমীয়া গদ্যৰ প্ৰকাশিকা শক্তিৰ পৰিচয় দিয়ে। ভট্টদেৱ মধ্যযুগৰ অসমীয়া সাহিত্যৰ বিশেষকৈ উত্তৰ শংকৰী যুগৰ এজন উল্লেখযোগ্য লেখক। শংকৰ দেৱে কাব্যত ভাঙি থৈ যোৱা উক্ত গ্ৰন্থ কেইখন গতানুগতিক ৰীতি পৰিহাৰ কৰি কিয় গদ্যত অনুবাদ কৰিলে অথবা কথা সাহিত্যলৈ মনোনিবেশ কৰিলে সেইটো লক্ষ্য কৰিবলগীয়া। মধ্যযুগৰ সমাজখনৰ নিৰক্ষৰতাৰ কথা ওপৰত উল্লেখ কৰা হৈছেই, বিশেষকৈ এই ক্ষেত্ৰত শূদ্ৰ আৰু স্ত্ৰীসকল আছিল প্ৰধান। গতিকে সকলোৱে যাতে বৈষ্ণৱ ধৰ্মৰ তত্ত্ব উপলব্ধি কৰিব পাৰে, সেয়ে জনসাধাৰণৰ কথা কোৱা, আলাপ-আলোচনাৰ ঠাঁচত এই ধৰ্মৰ মৰ্ম নিহিত থকা তত্ত্ব গধুৰ গ্ৰন্থ কেইখন তেখেতৰ গুৰু দামোদৰৰ আদেশত কথাত অনুবাদ কৰিলে। সেয়ে হেমচন্দ্ৰ গোস্বামীয়ে কৈছে যে "অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি কাৰ্যত ভট্টদেৱ যন্ত্ৰ মাথোন, দামোদৰ দেৱহে যন্ত্ৰী।" দামোদৰ দেৱে ভাগৱত অনুবাদ কৰোতে ভট্টদেৱক কৈছিল—

আৰুএক জগত ঈশ্বৰ আজ্ঞাধৰা।
কথাবন্ধে একখণ্ড ভাগৱত কৰা ॥
পূৰ্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীৰ্ত্তন ভটিমা ছৱি হুলড়ী সুছন্দ ॥
তাত কৰি সুগম কৰিয়ো ভাগৱত।
স্ত্ৰী শূদ্ৰে সৰ্বলোকে বুঝে যেন মত ॥

মুঠতে স্ত্ৰী, শূদ্ৰ, চাণ্ডালে সুগমকৈ বুজিব পৰাকৈ তেওঁ অনুবাদ কাৰ্যত হাত দিছিল।

অংকীয়া নাটৰ লয়যুক্ত ব্ৰজাৱলী প্ৰভান্বিত গদ্যৰ সলনি ভট্টদেৱৰ গদ্য অসমীয়া চলিত ভাষা; যি মৌখিক ভাৱ আদান প্ৰদানতহে আৱদ্ধ আছিল সেই ভাষাটোকেই তেখেতে নতুনকৈ সজালে। আড়ম্বৰপূৰ্ণ, সহজ, ওজস্বী আৰু গাম্ভীৰ্যপূৰ্ণ ভট্টদেৱৰ ভাষা আছিল সাধু ভাষা। চুটি চুটি বাক্যবোৰ পাঠকে সহজে বুজি পোৱা বিধৰ। জটিল আৰু দাৰ্শনিক তত্ত্ববোৰ বিভিন্ন উপমাদিৰ জৰিয়তে সহজ সৰলকৈ বুজাই দিছে। মাজে মাজে এটাকৈ প্ৰশ্ন উত্থাপন কৰি তাৰ সমাধানো দি গৈছে। এই খিনিতে কৈ থোৱা ভাল হব যে ভট্টদেৱেই প্ৰথম ভাৰতৰ প্ৰাদেশিক ভাষাৰ ভিতৰত অসমীয়াত উক্ত গ্ৰন্থ কেইখন কথাত অনুবাদ কৰি অসমীয়া কথা সাহিত্যৰ ভেটি টনকিয়াল কৰাৰ লগতে বিশ্ব সাহিত্যত এখন বিশিষ্ট আসন দি গ'ল।

সংস্কৃতৰ অনুৰূপেই অংকীয়া নাটৰ দৰে ভট্টদেৱেও স্বৰবৰ্ণ আৰু ব্যঞ্জবৰ্ণ সমূহ প্ৰয়োগ কৰিছে। হ্ৰস্ব দীৰ্ঘ, দন্ত্য-মূৰ্ধণ্য ধ্বনিৰ পাৰ্থক্যবাদ দিছে; শসষ তিনিওটাৰে ব্যৱহাৰ কৰিছে। 'ণ'ৰ সঘন প্ৰয়োগ আৰু শব্দৰ মাজৰ ':' (বিসৰ্গ) প্ৰায়ে 'স' হিচাবে প্ৰয়োগ কৰা লক্ষ্য কৰিবলগীয়া বিশেষত্ব। যেনে - দুঃখে > দুস্‌খে। ভট্টদেৱ নিজেই এজন সংস্কৃতৰ পণ্ডিত আছিল তাৰ উপৰি তেওঁৰ সন্মুখত নিৰ্ভৰযোগ্য গদ্যৰ নিদৰ্শনৰ অভাৱৰ হেতু তেওঁৰ গদ্য শৈলী যথেষ্ট ৰূপে সংস্কৃতৰ ওচৰ চাপিছে।

ৰূপগত বৈশিষ্টলৈ চালে দেখা যায় ৪ৰ্থী বিভক্তি 'ক' আৰু পঞ্চমী— 'হন্তে' প্ৰয়োগ কৰিছে। নঞাৰ্থক ক্ৰিয়া গঠনত তেখেত আধুনিক অসমীয়া ভাষাৰ লগত ব্যতিক্ৰম। যেনে - নজানে, নদিয়ে, নথায়, নমাৰে।

শব্দবোৰ সংস্কৃত মূলীয় অথবা সংস্কৃতেই যদিও বহুখিনি কামৰূপী উপভাষাৰ শব্দও তেওঁৰ গদ্যৰ ভাষাত দেখা যায়। যেনে – গ'ল, শুখনে, ভাঠি, হাষ্টি, ভিঠা, আমাঠৈৰ নেদা ইত্যাদি। কয়ল দেখ কহ পুছ আদি ব্ৰজাৱলী শব্দৰ প্ৰয়োগো তেওঁ কৰিছে। তাৰ উপৰি চাবুক হাজাৰ আদি বিদেশী শব্দৰ প্ৰয়োগৰ লগতে ঘৰুৱা জতুৱা ঠাঁচ আদিৰ সঘন প্ৰয়োগ পৰিলক্ষিত হয়। ষোড়শ শতিকাতে ভট্টদেৱে আধুনিক বাক্যৰ গাঠনি বিশেষকৈ সৰল মিশ্ৰ জটিল বৰ্ণনাত্মক প্ৰশ্নসূচক বিস্ময়সূচক আদেশ সূচক আদি বিভিন্ন বাক্যৰ সূচনা কৰি থৈ যায়। ভট্টদেৱৰ গদ্যৰ চানেকী হিচাপে তলত এটি উদ্ধৃতি দাঙি ধৰা হ'ল।

"পৰমাৰ্থত আত্মাক নমাৰে নমৰে। স্বৰূপত আত্মাৰ জন্ম নাই, মৰণ নবটে। আছে হেনো নোহে টুঠনো নাই, পৰিণামো নেদেখি, বৃদ্ধয়ো নহয়। এতেকে শৰীৰ নষ্ট হৈলে আত্মাৰ নাশ নাই। যি পুৰুষে এই আত্মাক অবিনাশী অজ-অব্যয় নিত্য কৰি জানে সি কাক মৰাইবেক, কাক মাৰিব?"
(কথাগীতা)

ভট্টদেৱৰ পৰৱৰ্তী লেখক সপ্তদশ শতিকাৰ গোপালদ্বিজে "ভক্তি ৰত্নাকৰ" মাৰ্জিত, ৰসাল আৰু সহজ ভাষাত গদ্যলৈ অনুবাদ কৰি অসমীয়া গদ্য সাহিত্যলৈ অৱদান আগবঢ়াই। এওঁৰ পিছত আন এগৰাকী কথা সাহিত্যৰ উল্লেখযোগ্য অসমীয়া লেখক অষ্টাদশ শতিকাৰ ৰঘুনাথ মহন্তই অসমীয়া গদ্য সাহিত্যত বিশিষ্ট স্থান অধিকাৰ কৰি গৈছে। মহাপুৰুষ শংকৰদেৱৰ শিষ্য সতানন্দৰ বংশধৰ ৰঘুনাথ মহন্তই মাধৱ কন্দলিৰ 'ৰামায়ণ' কথাত অনুবাদ কৰি ভাৰতীয় সাহিত্যতে 'ৰামায়ণ মহাকাব্য'ক প্ৰথম কথাত অনুবাদ কৰি এই দিশত পথ প্ৰদৰ্শক হিচাবে খ্যাতি লাভ কৰিছে। কেৱল— আদি, অযোধ্যা অৰণ্য আৰু কিষ্কিন্ধ্যা কাণ্ডহে তেওঁৰ ৰামায়ণত পোৱা যায়। ষোড়শ শতাব্দীৰ ভট্টদেৱৰ ভকতীয়া গদ্যৰ ৰীতিকে তেওঁ অনুসৰণ কৰিছিল যদিও ভট্টদেৱৰ দৰে তেওঁৰ গদ্য সংস্কৃতীয়া নহয় তেওঁৰ গদ্য সৰল আৰু কৃত্ৰিমতা বৰ্জিত। ভট্টদেৱৰ গদ্যই জনসাধাৰণক তৃপ্তি দিব নোৱাৰিলে বুলি ভাবিয়েই কিজানি ৰঘুনাথ মহন্তই শংকৰ দেৱৰ নাটকীয় গদ্যৰ ওচৰলৈ পুনৰ উভতি গ'ল। সেয়ে তেওঁৰ 'কথা ৰামায়ণ'ৰ ভাষাত ঠায়ে ঠায়ে ব্ৰজাবুলিৰ ক্ৰিয়া পদ আৰু সৰ্বনামৰ প্ৰয়োগ দেখা যায়। যেনে বিলাপ, পেখি ফোকাৰি পড়ি পশি বিহড়ি চড়াহ চাড়িতে ভৈল হামাক তোহাৰ ইত্যাদি। কথা ৰামায়ণ'ৰ কথাশৈলীত বৰ্ণনীয় বিষয় অনুযায়ী গম্ভীৰ অলংকাৰ প্ৰয়োগ কৰিছে। বাক্য চুটি কৰাৰ অৰ্থেহি হওঁক অথবা শ্ৰুতি মধুৰতাৰ অৰ্থেহি হওঁক সমাসযুক্ত সংস্কৃত শব্দৰ বহুল প্ৰয়োগৰ লগতে ওজস্বিতাপূৰ্ণ, ৰীৰহ ব্যঞ্জক আৰু সহজ সৰল ঘৰুৱা শব্দৰ প্ৰয়োগ মহন্তই কৰিছে। ভাষা অনুভূতিপূৰ্ণ আৰু স্বাভাৱিক। এই ক্ষেত্ৰত মাধৱ কন্দলিৰ উপমা অলংকাৰ আদিবো

ঠায়ে ঠায়ে ব্যৱহাৰ কৰিছে। 'কথা ৰামায়ণ'-নতো হ্ৰস্ব দীৰ্ঘ, দন্ত্য, মূৰ্ধণ্যৰ পাৰ্থক্য পৰিহাৰ কৰা দেখা যায়। চ, ছ, ন, ণ, শ ষ স, ৰ প্ৰয়োগ দেখা যায়। –সব, – গণ আদি বহুবচনাত্মক প্ৰত্যয়ৰ ব্যৱহাৰ কৰিছে।

যি কি নহওঁক এইটো কবই লাগিব যে 'কথা ৰামায়ণ'ৰ গদ্য বহু ঠাইত লয়যুক্ত বৃত্তগন্ধী। তথাপি শংকৰদেৱৰ নাটকীয় গদ্য আৰু ভট্টদেৱৰ গদ্যৰপৰা পৰৱৰ্তী ২০০ বছৰৰ মূৰত অসমীয়া গদ্যই কেনেকুৱা ৰূপ ললে তাৰ সাক্ষী হিচাপে ৰঘুনাথ মহন্তৰ 'কথা ৰামায়ণ'ৰ প্ৰয়োজনীয়তা যথেষ্টই আছে।

তলত 'কথা ৰামায়ণ'ৰ কথাশৈলীৰ চানেকী এটিৰ উদ্ধৃতি দিয়া হ'ল।

"স্ত্ৰীৰ হেনয় চৰিত্ৰ: জাত অতি অনুৰক্ত তাত তিসকে বিৰক্ত। এতেকেসে বিবেকী সৱে স্ত্ৰীত বিশ্বাস নাহি কৰে। তদন্তৰে দশৰথ ৰাজা কৈকেয়ীৰ ঠানে জাই দেখিল ঘনে ঘনে শ্বাস ফোকাৰী মাটি লুটি ধূলি ধূসৰিত হৈয়া বিলাপ কৰে থিক। পেখি ৰাজা মহা দুখিত হুয়া প্ৰিয়াক আশ্বাস কয় বোলল:" – – (শ্ৰীৰামায়ণ কথা অযোধ্যা কাণ্ড ২য় অধ্যায়)

মধ্যযুগীয় অসমীয়া সাহিত্যৰ 'কথাশৈলী'ৰ স্বৰূপ জানিবলৈ শংকৰোত্তৰ কালৰ সত্ৰীয়া সমাজত গঢ়লৈ উঠা চৰিত পুথিৰ গদ্য আৰু আহোম ৰাজসভাত সৃষ্টি হোৱা বুৰঞ্জী সাহিত্যৰ গদ্যৰ আলোচনাও কৰিব লাগিব। সাংস্কৃতিক কেন্দ্ৰৰ প্ৰধান স্থল সত্ৰ সমূহ শংকৰোত্তৰ কালত অসমৰ গাৱেঁ-ভূঁয়ে গঢ় লৈ উঠে। তাতেই ভকত সকলে গুৰুৰ জীৱনী মুখে মুখে আলোচনা কৰা নিয়ম আছিল। আৰু শেষত তাক লিপিবদ্ধৰূপ দিয়া হৈছিল। ইয়াক 'চৰিত তোলা' প্ৰথা বোলে। কাব্য আৰু গদ্য উভয়তে এইবোৰ ৰচিত হৈছিল। গদ্যত লিখা তেনে উল্লেখযোগ্য চৰিত পুথি হ'ল অষ্টাদশ শতিকাৰ 'কথা গুৰু চৰিত' আৰু 'বৰদোৱা গুৰু চৰিত'। দুয়োখন চৰিত বৃহৎ আকাৰৰ। ইয়াত গুৰুৰ জীৱনীৰ লগতে মধ্যযুগীয় অসমীয়া সমাজৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সাংস্কৃতিক সাহিত্যিক দিশৰ ছবি প্ৰতিফলিত হৈ আছে। সাহিত্যিক গুণ বিশিষ্ট গুৰু চৰিত দুখনৰ কথাশৈলীৰ আভাসো উন্নতমান বিশিষ্ট। কিন্তু এই গুৰু চৰিতৰ কোন লেখক তাৰ কোনো আভাস পুথি কেই খনে আমাক নিদিয়ে।

এই অনামী লেখকৰ দ্বাৰা প্ৰণীত চৰিত পুথিৰ ভাষা কথিত ভাষাৰ এটি পৰিমাৰ্জিত, গম্ভীৰ আৰু অকৃত্ৰিম ভাষা। পুৰাণত সূতে কাহিনী বৰ্ণনা কৰাৰ দৰেই চৰিত সাহিত্যৰ বিষয় বৰ্ণিত কৰি থোৱা হৈছে। বিভিন্ন ভকতে সাধাৰণ আলাপ-আলোচনাৰ মাধ্যমৰে প্ৰশ্ন তুলি তাৰ উত্তৰ দি গৈছে। মহাভাৰত পুৰাণ আদিৰ উদ্ধৃতি দি চৰিত্ৰৰ মহিমা বৃদ্ধিৰ লগতে সামাজিক মানসিক উৎকৰ্ষতা সাধনবো যথাযথ ব্যৱস্থা কৰিছে। লয়যুক্ত আৰু অন্ত্যমিল যুক্ত চুটি চুটি বাক্যৰ চৰিত পুথিৰ ভাষা আছিল সাধাৰণতে চিত্ৰধৰ্মী ভাষা। অৱশ্যে ইয়াত কিছু পৰিমাণে কাব্যিকতাও আছে। অন্য অসমীয়া ভাষাৰ প্ৰভাৱ চৰিত পুথিত পৰিছে। যেনে- ফাক্‌কা, ফৰমাণ আদি বিদেশী শব্দৰ প্ৰয়োগ দেখা যায়।



"আমাৰেসে কৰ্মতৰে পণ্ডিতৰো বাক্য লৰে" আদিৰ দৰে অসমীয়া থলুৱা ভাষাৰ ফকৰা, জতুৱা, খণ্ডবাক্যৰ প্ৰয়োগ চৰিত পুথিৰ ভাষাত বিদ্যমান। চৰিত পুথিৰ ভাষাত বিশেষ মনকৰিবলগীয়া বিষয় হ'ল ইয়াত কামৰূপী উপভাষাৰ বিশেষ্য, বিশেষণ, সৰ্বনাম আৰু ক্ৰিয়াৰ যথেষ্ট ব্যৱহাৰ। যেনে—দাউৰ, আপি, বয়া, ছলি, হলু, আটাহ ইত্যাদি। ৎমী বিভক্তি 'পৰা' বা 'হন্তে'ৰ ঠাইত ৰতে' বা 'তে' (তোমাৰা কাৰতে, তাৰাতে). –বোৰ, বিলাক আদি বহুবচনাত্মক প্ৰত্যয়ৰ ঠাইত –ভোৰ, –ভোৰাক আদিৰ প্ৰয়োগ পৰিলক্ষিত হয়।

তলত 'কথা গুৰু চৰিত'ৰ ভাষাৰ আহি এটি দেখুওৱা হ'ল।

"ভিতৰ সোমাই গৈ দেখে একালে পতিলা: এচুকে ভিটি বান্ধি ঘট পাতি-আমডালি, আঁৱা সূতা থৈছে: বোলে মাতৃ এই কি: বোলে বাপু তোম্ৰা শুধিব নালাগে: চাইটি চাৱা চিতা আছে: আৰে কিবা পাৰতেঁ কাৰণে থৈছো: বোলে ঘৰতে পৰমব্ৰহ্ম তাৱাজে বিঘ্নি দূৰ কৰিব নপাৰে॥ এই ভোৰে দূৰ কৰিব জাৰ দাসি ঘৰ দেউতি।"

সত্ৰ সমূহত চৰিত পুথি সাহিত্য সৃষ্টিৰ সময়তেই মধ্যযুগত ৰজাঘৰত বুৰঞ্জী সাহিত্যই গা কৰি উঠে। আহোম ৰজাই ৰজা ঘৰীয়া সকলো কথাকে লিপিবদ্ধ কৰি ৰখাৰ নিয়ম কৰিছিল আৰু তাৰেই পৰিণতি বুৰঞ্জী সাহিত্য সমূহ। এইবোৰো কাব্য, গদ্য উভয়তেই ৰচিত হৈছিল। প্ৰথমে আহোম ভাষাতে লিখিছিল যদিও পিছলৈ অসমীয়া ভাষাত বুৰঞ্জী লিখি অসমীয়া ভাষা সাহিত্যক গৌৰৱান্বিত কৰি থৈ গ'ল। আহোম যুগৰ এই বুৰঞ্জী সমূহৰ গদ্যই আধুনিক অসমীয়া গদ্যৰ বহু ওচৰ চাপিছে।

বুৰঞ্জীৰ গদ্য সহজ আৰু অনাড়ম্বৰ। বাক্যৰীতি যথেষ্ট সহজ সৰল। ইয়াৰ বাক্যৰীতিৰ শব্দযোজনা আৰু প্ৰয়োগিত জতুৱা ঠাঁচ ঘৰুৱা কথিত অসমীয়া। এই কাৰণেই পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে বুৰঞ্জী সমূহৰ ওপৰত মন্তব্য কৰিছিল যে—"ইয়াৰ লিখাত কতো বাহুল্য কথা নাই। কতো অতিৰঞ্জনৰ চেষ্টা নাই। ভাষা যেনে সৰল, তেনে আঁত নলগা, কোনো সঁচা কথাকে গোপন কৰাৰ চেষ্টা নাই।

তিতাগছৰ আগো তিতা গুৰিও তিতা; বাৰীৰ ভিতৰত পুখুৰী সিচোঁতে আঠোটা দহোটা মানুহক শিঙিয়ে ফুটে, ইত্যাদিৰ দৰে মনোমোহা একেবাৰে ঘৰুৱা উপমা, খণ্ডবাক্য আদিৰ প্ৰয়োগৰ ফলত বুৰঞ্জীৰ প্ৰকাশ ভংগীত সাহিত্যিক সৌন্দৰ্য্য বঢ়াইছে। নাটকীয় কথন ভংগীৰ বুৰঞ্জীৰ গদ্যত কেইবাটাও বাক্য একেলগ কৰি এটা নাতিদীৰ্ঘ বাক্যৰে ভাৱৰ সামৰণি মৰা দেখা যায়। 'পাচে', 'আত-পাচে' পাচে বোলে' আদি শব্দৰে বাক্য আৰম্ভ কৰা দেখা যায়।

বিভক্তি প্ৰয়োগৰ ক্ষেত্ৰত আধুনিক নিয়মকে মানিছে যেন লাগে। —হন্তে, —পৰা, পঞ্চমী বিভক্তি হিচাপে ব্যৱহাৰ কৰিছে। –গণ, —বোৰ, সকল, —সবাকে, —হঁত আদি বহুবচন বুজোৱা প্ৰত্যয়ৰ

ব্যৱহাৰ বুৰঞ্জীৰ গদ্যত দেখা যায়। সংস্কৃত শব্দৰ উপৰিও বঙলা, হিন্দী, ফাৰ্চী শব্দবো বহুল প্ৰয়োগ পৰিলক্ষিত হয়। লাক্তি, চেং, কনচেং, আঙৰৰ, ফুণ ইত্যাদি আহোম শব্দবো প্ৰয়োগ ইয়াত আছে। হ্ৰস্ব-দীৰ্ঘ, দন্ত্য-মৰ্ধণ্যৰ ধ্বনিৰ পাৰ্থক্য ইয়াৰ ভাষাত নাই।

গদ্য শৈলী তথা কথাশৈলীৰ প্ৰধান বৈশিষ্ট হিচাপে বিশেষকৈ বিষয়বস্তুৰ সংক্ষিপ্ততা, ভাবস্পষ্টতা আৰু প্ৰাঞ্জলতা বুৰঞ্জীৰ গদ্যত পৰিলক্ষিত হয়। সেয়েহে মন্ত্ৰ সাহিত্যৰ পৰা আৰম্ভ কৰি মধ্যযুগত শংকৰদেৱ, ভট্টদেৱ, ৰঘুনাথ মহন্তৰ গদ্যৰ ধ্বনিগত, ৰূপগত, শব্দগত, বাক্যগত আদি বিভিন্ন দিশত বিবৰ্তন ঘটি অষ্টাদশ শতিকাত অসমীয়া গদ্যই বুৰঞ্জীত যি ৰূপ ললে তাৰেই গইনা লৈ পৰৱৰ্তী কালত অৰ্থাৎ আধুনিক যুগত মিচনেৰী সকলে অৰুণোদয়ৰ গদ্য গঢ়ি তুলিলে। ●



সহায় লোৱা গ্ৰন্থ ঃ—

- অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত : শৰ্মা সত্যেন্দ্ৰ নাথ
- অসমীয়া কথা সাহিত্য (পুৰণি ভাগ) : বৰুৱা বিৰিঞ্চি কুমাৰ
- শংকৰ দেৱৰ কালিয় দমন নাট : দত্ত ড° দিলীপ কুমাৰ
- *স্নাতকৰ কথাবন্ধ : প্ৰথম সংযুক্ত তাঙৰণ ১৯৮৫
- অসম সাহিত্য সভাপত্ৰিকাৰ : ষট্‌চত্বাবিংশ বছৰ : তৃতীয় সংখ্যা : গদ্য শৈলী।



# শ্ৰীমন্ত শঙ্কৰ দেৱৰ 'কীৰ্তন ঘোষা'

শ্ৰীপৰাগ কুমাৰ ডেকা
স্নাতক ৩য় বাৰ্ষিক

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ অকল অসমৰেই নহয় সমগ্ৰ বিশ্ববাসীৰেই এজন আদৰ্শ পুৰুষ। গৰুৰ খোজত নভোমণ্ডল দেখাৰ দৰে ক্ষুদ্ৰ আয়তনৰ অসম ভূমিত জন্ম গ্ৰহণ কৰা এইজনা মহাপুৰুষৰ জীৱনৰ আৰ্হিৰে, তেখেতৰ আদৰ্শৰ নিকপকপীয়া জৰীৰে বগাই গৈ এজন সু-নাগৰিক হোৱাৰ যি প্ৰশস্ত পথ তাক বিশ্বৰ প্ৰতিজন মহাপুৰুষৰে স্বীকাৰ্য। এইজনা মহাপুৰুষৰ অসম বাসী তথা বিশ্ববাসীলৈ যি অৱদান, যি শান্তি আৰু জগতৰ কল্যাণৰ অঘোষ মন্ত্ৰ তাক প্ৰতিজন নাগৰিকৰেই পালনীয়। সাহিত্য, সংস্কৃতি, ক'লা, সংগীত, ভাস্কৰ্য্য ইত্যাদিৰ মাজেৰে তেখেতে সমগ্ৰ মানৱ তথা ইতৰ প্ৰাণীৰ মাজত এক পাৰস্পৰিক সম্বন্ধক মানৱ সমাজত প্ৰচাৰ কৰাই তেখেতৰ উদ্দেশ্য। এই উদ্দেশ্য প্ৰচাৰৰ যি কৌশল, যি প্ৰক্ৰিয়া সেয়াই প্ৰতিফলিত তেখেতৰ সাহিত্য ৰাজিৰ মাজত। এই কৌশল বা প্ৰক্ৰিয়াই হৈছে তেখেতৰ প্ৰচাৰিত যি সনাতন সত্য তথা ভাৰতীয় আধাৰ গ্ৰন্থ সংস্কৃত শাস্ত্ৰৰ পৰা বোৱাই অনা বৈষ্ণৱ ধৰ্ম। এই বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই তেখেতে ৰচনা কৰিছিল সাহিত্য ৰাজি। তেখেতৰ ৰচনাৱলী— হৰিচন্দ্ৰ উপাখ্যান, ভক্তি প্ৰদীপ, ৰুক্মিনী হৰণ কাব্য, কীৰ্তন, গুণমালা, বলিছলন, অমৃত মন্থন, অনাদি পতন, ভাগৱতৰ প্ৰথম, দ্বিতীয়, ষষ্ঠ, নৱম, দশম, একাদশ আৰু দ্বাদশ স্কন্ধ, নিমি নৱসিদ্ধ সংবাদ, অজামিল উপাখ্যান, উত্তৰা কাণ্ড ৰামায়ণ, পত্নী প্ৰসাদ, কালিয় দমন; কেলি গোপাল, ৰুক্মিনী হৰণ, পাৰিজাত হৰণ আৰু ৰাম বিজয় নাট, বৰগীত ইত্যাদি।

তেখেতৰ ৰচনা ৰাজিৰ ভিতৰত কীৰ্তন গ্ৰন্থখনো অতি মূল্যৱান। তেখেতৰ ৰচনা ৰাজিৰ ভিতৰত হয়তো কীৰ্তন গ্ৰন্থখনেই ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত প্ৰথমে উল্লেখ কৰিব পাৰি। এই গ্ৰন্থখন দ্বাদশ স্কন্ধ ভাগৱত, শ্ৰীমদ্ভাগৱত গীতা, পদ্ম পুৰাণ ব্ৰহ্ম পুৰাণ আদি শাস্ত্ৰৰ সাৰ সংগ্ৰহৰ এক অপূৰ্ব ৰসৰ সমাৰোহন। জীৱনৰ আগ বয়সৰ পৰা বিভিন্ন ঠাইত বিভিন্ন পৰিবেশত ৰচনা কৰা খণ্ড খণ্ডৰ সমাবেশত

কীৰ্তন খনে অসমীয়া সমাজৰ মাজত প্ৰতিষ্ঠিতি লাভ কৰিছে। কীৰ্তন গ্ৰন্থখন অৱশ্যে অকল শঙ্কৰ দেৱৰেই গোটেই খণ্ড সমূহ ৰচিত নহয়, ই কেইজনমান মহাপুৰুষৰ সংকলনহে। কিয়নো কীৰ্তনখনৰ শেষৰ পিনে কবি ৰত্নাকৰ কন্দলিৰ 'সহস্ৰ নাম বৃত্তান্ত', শ্ৰীধৰ কন্দলিৰ 'ঘুনুচা কীৰ্তন' আৰু মাধৱ দেৱৰ 'নাম ঘোষা' ও সন্নিবিষ্ট কৰা হৈছে। এই খণ্ড সমূহ কীৰ্তনৰ অন্তৰ্গত কৰাৰ হেতু বিভিন্ন সমালোচকে বিভিন্ন মত আগবঢ়াইছে। অৱশ্যে এই খণ্ড কেইটা শঙ্কৰ দেৱৰ খণ্ড কেইটাৰ দৰেই এক ধৰ্মী আৰু উদ্দেশ্য লক্ষৰ সহায়ক হোৱা বাবে কীৰ্তনৰ অন্তৰ্গত কৰিছে বুলি অনুমান কৰিবৰ থল আছে। গুৰু চৰিত্ৰৰ মতে শঙ্কৰ দেৱে তেখেতৰ শিষ্য মাধৱ দেৱক অ'ত ত'ত সিচঁৰিত হৈ থকা খণ্ড সমূহ এক গোট কৰিবলৈ নিৰ্দ্দেশ দিছিল। গুৰুজনাৰ নিৰ্দ্দেশ মতে মাধৱ দেৱে তেখেতৰ ভাগিন ৰামচৰণৰ হতুৱাই কীৰ্তনৰ খণ্ড সমূহ একগোট কৰিছিল আৰু তেতিয়াই সম্ভৱত এই সকলৰ খণ্ড সমূহ সন্নিবিষ্ট কৰে।

কীৰ্তন গ্ৰন্থখনক অসমৰ মৌচাক বুলি কোৱা হয়। কিয়নো এই গ্ৰন্থখনত নৱৰসৰ সমাবেশ ইমান ধুনীয়াকৈ প্ৰকট হৈছে যে বিভিন্ন বয়সৰ লোকৰ মাজত ৰস আস্বাদন কৰোতে কোনো বাধা আহি নপৰে। এই সম্পৰ্কত জ্ঞান নাথ বৰা দেৱৰ মত প্ৰণিধান যোগ্য। তেখেতে কৈছে— "কীৰ্তনত হৰ্ষ-বিষাদ প্ৰেম বিৰহ, ক্ৰোধ-ক্ষমা, আদিয়ে ঝুমুৰি পাতিছে। ইয়াত নৱৰসৰ মিলন ঘটিছে।" তেওঁ আৰু কৈছে যে "ই কাক কি দিয়া নাই কি পুৰুষ, কি তিৰোতা, কি ল'ৰা কি বুঢ়া কি শিক্ষিত, কি অশিক্ষিত কি জ্ঞানী কি মূৰ্খ আটায়ে ইয়াত মুগ্ধ হৈছে।" মহাপুৰুষৰ এই অনুপম কীৰ্তন খনত ২৭ টা অধ্যায় আছে।

ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি সাহিত্যৰাজি ৰচনা কৰা হেতুকে তেখেতৰ সমগ্ৰ ৰচনা ৰাজিয়েই এক ঈশ্বৰ বাদক প্ৰাধান্য দিছে। এক দেৱ এক সেৱ, এক বিনে নাহি কেৱ। এই মুল মন্ত্ৰ আগত ৰাখি তেখেতৰ ৰচনা ৰাজিত প্ৰকাশ কৰিছে ভগৱান কৃষ্ণক। কীৰ্তন গ্ৰন্থৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণন ও প্ৰথমে পৰম পুৰুষ পূৰ্ণ ব্ৰহ্মকেই প্ৰশস্তি কৰিছে—

> প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
> সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ ॥
> তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত।
> যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত ॥

কলি যুগত একমাত্ৰ হৰি ভক্তিয়েই শ্ৰেষ্ঠ ধৰ্ম। হৰি ভক্তি সম্পৰ্কে গুৰু জনাই এই গ্ৰন্থৰ প্ৰহ্লাদ চৰিত্ৰও নৱবিধ ভক্তিৰ কথা উল্লেখ কৰিছে—

> শ্ৰৱণ কীৰ্তন স্মৰণ বিষ্ণুৰ
> অৰ্চ্চন পদ সেৱন।
> দাস্য সখিত্ব বন্দন বিষ্ণুক
> কৰিব দেহা অৰ্পণ ॥
> নৱ বিধ ভক্তি বিষ্ণুত আচৰে
> যেহিসে পাঠ উত্তম।

এই নৱবিধ ভক্তিৰ জৰিয়তে কলিৰ লোকে সংসাৰ তৰিব পাৰে। ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰাটো কোটি কোটি জন্মৰ পূন্যৰ ফল বুলি মহাপুৰুষ জনাই অজামিল উপাখ্যানত এনেদৰে কৈছে—

> কোটি কোটি জন্ম অন্তৰে যাহাৰ
> আছে মহাপূৰ্ণ ৰাশি।
> সি সি কদাচিত মনুষ্য হোৱয়
> ভাৰত বৰিষে আসি ॥

এই বাবেই দুৰ্ল্লভ মনুষ্য জনম বৃথা নকৰি একমাত্ৰ হৰিনাম লৈ সংসাৰত সৎ কৰ্ম কৰি ঈশ্বৰ চিন্তা কৰাই কলিযুগৰ ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰা সকলৰ মুখ্য উপায়। হৰিনাম নোলোৱা জনক "আত্মঘাটি কৰি মৰা" বুলি গুৰুজনাই নিন্দা কৰিছে।

গ্ৰন্থখনৰ প্ৰায় প্ৰতিটো খণ্ডতেই একোটা আখ্যান সম্বলিত হৰিনামৰ মাহাত্ম্য প্ৰকাশ কৰিছে। ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় তাকেই মহাপুৰুষ জনাই পৰোক্ষ ভাৱে দেখুৱাইছে। জীৱ শ্ৰেষ্ঠ মানৱ যে সংসাৰত জন্ম গ্ৰহণ কৰি অনৰ্থ আৰু ধ্বংস মুখত পৰে তাক প্ৰাসঙ্গিক দৃষ্টিৰে মাধৱ দেৱৰ নাম ঘোষাৰ এটি ছন্দ উল্লেখযোগ্য।

> যতেক অনৰ্থ আছে সংসাৰত
> তাতে তিনি বিধ সাৰ।
> কাম, ক্ৰোধ, লোভ আপোন নাশন
> জানি কৰা পৰিহাৰ ॥

এই অনৰ্থৰ পৰা ৰক্ষা পাবলৈ একমাত্ৰ হৰিভক্তিয়েই একমাত্ৰ উপায়। কাম, ক্ৰোধ, লোভৰ বশৱৰ্ত্তী হৈ মানুহে নিজকে পাহৰে, পাহৰে আত্মীয় স্বজনক। ফলত দেশত অশান্তিৰ সৃষ্টি হয়। সেইবাবে কৃষ্ণকথা আলাপৰ জৰিয়তে মন-প্ৰাণ শুদ্ধ কৰিব পাৰি—

> কৃষ্ণ কথা শ্ৰৱণত শুদ্ধ হৈব মন।
> সৰ্ব্বদায় কৰিবেক কৃষ্ণৰ কীৰ্তন ॥
> —প্ৰহ্লাদ চৰিত্ৰ

কিয়নো পৰম ব্ৰহ্ম সৰ্বত্ৰ বিৰাজমান। তেওঁ সৰ্ব্বজ্ঞ।

> কুকুৰ শৃগাল গদৰ্ভৰো আত্মাৰাম।
> জানিয়া সবাকো পৰি কৰিবা প্ৰণাম ॥

এই দাৰ্শনিক তত্বৰ পৰা বুজিব পাৰি সমস্ত জীৱ জগতৰ কল্যানৰ মুল মন্ত্ৰ গুৰু জনাৰ প্ৰচাৰিত 'বৈষ্ণৱ ধৰ্ম'ৰ এক মহান আদৰ্শ। অকল মানৱ সমাজখনৰ ওপৰতেই তেখেতে দৃষ্টি আৱদ্ধ ৰখা নাছিল, সমস্ত জীৱ জগতৰ কল্যানৰ বাবে শান্তিৰ বাণী প্ৰচাৰ কৰিছিল। কিয়নো সকলোৱেই ৰাম নামৰ অংশ।

> বিষ্ণুময় দেখে যিটো সমস্ত জগত।
> জীৱন্তে মুকুত হোৱে অচিৰ কালত ॥

ইয়াৰ পৰা বুজা যায় দাস্যভাবৰ মহান আদৰ্শ। এই আদৰ্শ যদি আজি বিশ্ব জগতত প্ৰতিষ্ঠা হ'ল হেতেন তেনেহলে আজিৰ সমাজ খনৰ মাজত হোৱা অমানৱীয় কাৰ্য্য সমূহ সংঘটিত নহ'ল হেতেন। গুৰুজনাই এই আদৰ্শ প্ৰতিষ্ঠা কৰি অসমবাসী তথা বিশ্ববাসীক এক আধ্যাত্মমুখী সাধনাৰ জৰিয়তে শান্তি প্ৰতিষ্ঠা কৰাৰ অহোপুৰুষাৰ্থ কৰিছিল।

সাহিত্যৰ দৃষ্টিৰে কীৰ্তন গ্ৰন্থখন আলোচনা কৰিলে দেখা যায় যদিও শঙ্কৰ দেৱে (সাহিত্য ৰচনা কৰো বুলি কৰা নাছিল) ধৰ্ম প্ৰচাৰৰ কাৰণেহে সাহিত্য ৰচনা কৰিছিল

তথাপি ই অদ্বিতীয় ভাৱে সাহিত্যিক গুণ ৰাজিৰে ভৰপূৰ। কীৰ্ত্তন খনৰ মাজেদি সাহিত্যাকাশত শাৰদীয় মেঘৰ মাজেদি জোনৰ বিমল কিৰণ নিপতিত হৈছে। বেজবৰুৱা দেৱৰ ভাষাত "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ সুৰৰ লাৱন্য, ভাষাৰ মাধুৰ্য্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শঙ্কৰ দেৱৰ কীৰ্ত্তন ৰচিত।"

নৱৰসৰ মাজেদি ভক্তিৰ ফল্গু ধাৰা প্ৰবাহিত হৈ ভক্ত পাঠকৰ অন্তৰত মাদকতাৰ পৰশ পোৱাই ভগৱান পূৰ্ণ শক্তিৰ প্ৰতি মন ধাবিত হোৱাত কীৰ্ত্তন গ্ৰন্থখনে যে বিমল অৱিহনা যোগাইছে সেয়া সহজ স্বীকাৰ্য্য। ফলত ইয়াৰ মাজেদি ভক্ত পাঠকৰ মনত পাখি লাতি পখিলাই সুগন্ধি বিয়পাইছে। এই ক্ষেত্ৰত লেখকৰ কল্পনা শক্তিক পেঁনত তুলিকাৰে চিত্ৰৰূপ দিয়াত সফলতাৰ প্ৰশংসনীয় বুলি কব পাৰি। অৱশ্যে কবিৰ কাল্পনিকতাই বাস্তৱতাৰ পৰা আঁতৰি গলেও বাস্তৱতাৰ আঁত নেহেৰাই। লেখকৰ সাহিত্য ৰাজিৰ ভিতৰত সম্ভৱত ভাগৱতৰ বৰ্ষা বৰ্ণনা আৰু কীৰ্ত্তনৰ উপবনৰ বৰ্ণনাটোহে সম্পূৰ্ণ বাস্তৱ ছবি যেন অনুমান হয়। অন্যান্য সাহিত্যৰ মাজত যে বাস্তৱ চিত্ৰ পোৱা নাযায় সেইটো কব নোৱাৰি।

অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰত কীৰ্ত্তন ঘোষাই ভৰাতকৈয়ো যেন বেছি সফলতা লাভ কৰিছে। কবিয়ে য'ত যি বৰ্ণনা পদ, ছবি, ফুলড়ী, লেচাৰি, ঝুনা, ঝুমুৰী দীৰ্ঘ ঝুমুৰী ইত্যাদিৰ মাজেৰে উপমা, ৰূপক, সন্দেহালঙ্কাৰ, ভ্ৰান্তিমান ইত্যাদি অলংকাৰ প্ৰয়োগ হোৱাত পাঠক সকল মনোগ্ৰাহী হৈছে। শ্ৰীকৃষ্ণৰ ৰূপৰ বৰ্ণনা, ৰুক্মিনীৰ ৰূপৰ বৰ্ণনা, যুদ্ধৰ বৰ্ণনা, পৰ্ব্বত, সৰোবৰ, উপবন আদিৰ বৰ্ণনাই এক জীৱন্ত ছবি যেন পাঠকৰ মন চকুত ধৰা দিছে।

শ্ৰীকৃষ্ণৰ ৰূপৰ বৰ্ণনাত—

হিয়াত শ্ৰীবৎস কৰে কান্তি।
যেন মেঘ বগাকাৰ পান্তি॥

+ + +

বক্ষস্থলে মুকুতাৰ হাৰ।
আকাশী গংগাৰ যেন ধাৰ॥

যুদ্ধৰ বৰ্ণনাত ছন্দ অলংকাৰৰ সুসমন্বয়ত মনোৰম দৃশ্য যেন পাঠকৰ চকুৰ আগত —

দুয়ো হুয়া মহাক্ৰুদ্ধ।
লগাইলেক ঘোৰ যুদ্ধ॥
দুয়ো মাতঙ্গৰ লীলা।
বৰিষে পৰ্ব্বত শিলা॥

শিশুলীলা খণ্ডত মাতৃ যশোদা আৰু পুত্ৰ শ্ৰীকৃষ্ণৰ জৰিয়তে বাৎসল্য প্ৰেমৰ অপূৰ্ব সমন্বয় ঘটাই দুষ্ট শিশু কৃষ্ণৰ আঁৰৰ পৰম ব্ৰহ্ম ভগৱানৰ মহিমা প্ৰকাশ কৰিছে।

পাচে পাচে যশোদা খেদন্ত।
ভয়ে লাগ মাৱক নেদন্ত॥
যাক যোগী নপাৱে ধ্যানত।
হেন হৰি পলান্ত ভয়ত।

শিশু কৃষ্ণৰ উদণ্ডালি, মাতৃ যশোদাৰ স্নেহ সুলভ অনুশাসনৰ এয়া চিৰন্তন চিত্ৰৰ মাজেৰে অপূৰ্ব হাতৰ তুলিকাৰে ভক্ত ভগৱানৰ মাজত সম্বন্ধ ঘটাইছে।



পৰ্ব্বত, উপবন আদিৰ চিত্ৰত অসমৰ এখনি সুন্দৰ চিত্ৰ দেখা যায়। হৰমোহনত বৰ্ণিত উপবনৰ বৰ্ণনা যেন এখনি অসমৰ মনোৰম উদ্যানহে।

শেৱালী নেৱালী পলাশ পাৰলি
পাৰিজাত যুতি জাই।
বকুল বন্দুলী আছে ফুলি ফুলি
তাৰো সীমা সংখ্যা নাই॥

ৰসৰ ক্ষেত্ৰত কীৰ্ত্তনৰ প্ৰতিটো খণ্ডতে নিগৰিত হৈছে নৱ ৰসৰ নিজৰা। শৃঙ্গাৰ, হাস্য, করুণ, ৰৌদ্ৰ, বীৰ আদি ৰসৰ সুন্দৰ ভাৱে নিপতিত হৈছে। হৰমোহনৰ মোহিনী নাৰীৰ ৰূপৰ বৰ্ণনাত শৃঙ্গাৰ, ৰামলীলাত শৃঙ্গাৰ, শঙ্কৰ মোহিনী নাৰীৰ পিছে পিছে দৌৰা দৃশ্যও হাস্য, শ্ৰীকৃষ্ণ বৈকুণ্ঠ প্ৰয়ানৰ সময়ত করুণ ইত্যাদি ৰসৰ বাবে পাঠকৰ অন্তৰ সহজতে পুলকিত হয়।

হৰমোহনত শৃঙ্গাৰ ৰসৰ বৰ্ণনা পাঠকৰ অন্তৰত তীব্ৰভাৱে ৰেখাপাত কৰে শঙ্কৰৰ কামাতুৰ অৱস্থাৰ বৰ্ণনাই—

নেদেখয় কেৱে ঐত কিয় কৰ লাজ।
নাহি আন পুৰুষ নিৰ্জ্জন বননাজ॥

আকৌ হাস্য ৰসৰ বৰ্ণনাত—

একো নেদেখন্ত কামাতুৰ ভৈল হৰ।
কন্যাক ধৰিবে মনে দিলন্ত লৱৰ॥

এইদৰে আলোচনা কৰিলে দেখা যায় কীৰ্ত্তন গ্ৰন্থখন অসমীয়া সমাজৰ এক অমূল্য সম্পদ। কীৰ্ত্তনে সকলোকে দিব পাৰিছে মধুৰ তৃপ্তি। এই তৃপ্তিৰ মাজেৰে পূৰ্ণ ব্ৰহ্মৰ অস্তিত্ব পাঠকৰ অন্তৰত হৃদিগত কৰাই বৈষ্ণৱৰ মাহাত্ম্য আৰু ভগৱানৰ ভক্তৰ প্ৰতি একাত্মকতা প্ৰকাশ কৰিবলৈ গুৰুজনাই "চেষ্টা কৰিছে। অকল এই গ্ৰন্থ খনেও মহাপুৰুষ শঙ্কৰ দেৱক অদ্বিতীয় সাহিত্যিক ৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। শেষত চন্দ্ৰ কুমাৰ আগৰৱালা দেৱৰ ভাষাত কব পাৰি "সাহিত্যৰ গুৰু শঙ্কৰ সাহিত্য ৰাজাৰ ৰজা শঙ্কৰ, সমাজ গঢ়োতা শঙ্কৰ, সমাজৰ নেতা শঙ্কৰ।" সেয়েহে মাধৱ দেৱে গাইছে -

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু॥

<>

মাতৃৰ মৰম পৃথিৱীৰ উদাৰতা আৰু আকাশৰ বিশালতাৰে মানুহক বুজিবলৈ চেষ্টা কৰা, দেখিবা সকলো ভেদ ভাৱ নোহোৱা হৈ গৈছে।

—স্বামী বিবেকানন্দ

# ॥ অসম সাহিত্য সভাৰ সভাপতি সকল ॥
## ১৯১৭ চনৰ পৰা ১৯৯৫ চনলৈ

সংগ্ৰাহক—মঃ ইছাহাৰ আলি
স্নাতক দ্বিতীয় বাৰ্ষিক

১) পদ্মনাথ গোহাঞি বৰুৱা, শিৱসাগৰ ১৯১৭
২) চন্দ্ৰধৰ বৰুৱা, গোৱালপাৰা ১৯১৮
৩) কালিৰাম মেধি, বৰপেটা ১৯১৯
৪) হেমচন্দ্ৰ গোস্বামী, তেজপুৰ ১৯২০
৫) অমৃত ভূষণ দেৱঅধিকাৰী, যোৰহাট ১৯২৩
৬) কনকলাল বৰুৱা, ডিব্ৰুগড় ১৯২৪ (এপ্ৰিল)
৭) লক্ষ্মীনাথ বেজবৰুৱা, গুৱাহাটী ১৯২৪ (ডিচেঃ)
৮) ৰজনীকান্ত বৰদলৈ, নগাওঁ ১৯২৫
৯) বেণুধৰ ৰাজখোৱা, ধুবুৰী ১৯২৬
১০) তৰুণৰাম ফুকন, গোৱালপাৰা ১৯২৭
১১) কমলাকান্ত ভট্টাচাৰ্য্য, যোৰহাট ১৯২৯
১২) মফিজুদ্দিন আঃ হাজৰিকা, গোলাঘাট ১৯৩০
১৩) নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, শিৱসাগৰ ১৯৩১
১৪) জ্ঞানদাভিৰাম বৰুৱা, উত্তৰ লক্ষীমপুৰ ১৯৩৩
১৫) আনন্দ চন্দ্ৰ আগৰৱালা, মঙ্গলদৈ ১৯৩৪
১৬) ৰঘুনাথ চৌধাৰী, তেজপুৰ ১৯৩৬
১৭) কৃষ্ণকান্ত সন্দিকৈ, গুৱাহাটী ১৯৩৭
১৮) ডঃ ময়িদুল ইছলাম বৰা, যোৰহাট ১৯৪০
১৯) নীলমণি ফুকন, শিৱসাগৰ, ১৯৪৪
২০) " " ডিব্ৰুগড, ১৯৪৭
২১) অম্বিকাগিৰি ৰায় চৌধুৰী, মাৰ্ঘেৰিটা ১৯৫০
২২) ডঃ সূৰ্য্যকুমাৰ ভূঞা, শ্বিলং ১৯৫৩
২৩) নলিনীবালা দেৱী, যোৰহাট ১৯৫৪
২৪) যতীন্দ্ৰ নাথ দুৱৰা, গুৱাহাটী ১৯৫৫
২৫) বেণুধৰ শৰ্মা, ধুবুৰী ১৯৫৬
২৬) পদ্মধৰ চলিহা, তিনিচুকীয়া ১৯৫৮
২৭) অতুল চন্দ্ৰ হাজৰিকা, নগাওঁ ১৯৫৯
২৮) ত্ৰৈলোক্য নাথ গোস্বামী মীৰ্জা (পলাশবাৰী) ১৯৬০
২৯) ঐ ঐ ঐ গোৱালপাৰা ১৯৬১
৩০) ৰত্নকান্ত বৰকাকতী, নাজিৰা ১৯৬৩
৩১) মিত্ৰদেৱ মহন্ত, ডিগবৈ ১৯৬৪
৩২) ডিম্বেশ্বৰ নেওঁগ, নলবাৰী ১৯৬৫
৩৩) বিনন্দ চন্দ্ৰ বৰুৱা, উত্তৰ লক্ষীমপুৰ ১৯৬৬
৩৪) নকুল চন্দ্ৰ ভূঞা, ডিব্ৰুগড় ১৯৬৭
৩৫) জ্ঞান নাথ বৰা, তেজপুৰ ১৯৬৮
৩৬) আনন্দ চন্দ্ৰ বৰুৱা, বৰপেটা ১৯৬৯
৩৭) উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, ধিং ১৯৭০
৩৮) তীৰ্থনাথ শৰ্মা, মাকুম ১৯৭১
৩৯) হেম বৰুৱা, ধুবুৰী ১৯৭২
৪০) গিৰিধৰ শৰ্মা, ৰঙিয়া ১৯৭৩
৪১) ডঃ মহেশ্বৰ নেওঁগ, মঙ্গলদৈ ১৯৭৪
৪২) ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা, তিতাবৰ ১৯৭৫
৪৩) যজ্ঞেশ্বৰ শৰ্মা, টিহু ১৯৭৬
৪৪) চৈয়দ আব্দুল মালিক, অভয়াপুৰী ১৯৭৭
৪৫) প্ৰসন্নলাল চৌধুৰী, গোলাঘাট ১৯৭৮
৪৬) অতুল চন্দ্ৰ বৰুৱা, গুৱালকুছি ১৯৭৯
৪৭] শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, ৰঙা ১৯৮০
৪৮] সীতানাথ ব্ৰহ্ম চৌধুৰী, তিনিচুকীয়া ১৯৮১
৪৯] ঐ ঐ ঐ ডিফু ১৯৮২
৫০] বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, বঙাইগাওঁ ১৯৮৩
৫১] শ্ৰীযোগেশ দাস, বিহপুৰীয়া ১৯৮৫
৫২] শ্ৰীবীৰেণ বৰকটকী, কামপুৰ ১৯৮৬
৫৩] ডঃ মহেন্দ্ৰ বৰা, পাঠশালা ১৯৮৭
৫৪] শ্ৰীকীৰ্ত্তিনাথ হাজৰিকা, হাইলাকান্দি ১৯৮৮
৫৫] শ্ৰীমহিম বৰা, ডুমডুমা ১৯৮৯
৫৬] শ্ৰীনবকান্ত বৰুৱা, বিশ্বনাথ চাৰিআলি ১৯৯০
৫৭] ডঃ নিৰ্মলপ্ৰভা বৰদলৈ, দুধনৈ ১৯৯১
৫৮] শ্ৰীলক্ষ্যধৰ চৌধুৰী, গোৰেশ্বৰ ১৯৯২
৫৯] ডঃ ভূপেন হাজৰিকা, শিৱসাগৰ ১৯৯৩
৬০] ডঃ লীলা গগৈ, মৰিগাওঁ ১৯৯৪
৬১] শ্ৰীহিতেশ ডেকা, সৰ্থেবাৰী ১৯৯৫



১ম শাৰী বহি বাওঁফালৰ পৰা - সৰ্ব্বশ্ৰী চক্ৰপাণি বৰা, এম-এ, মিনতি গোস্বামী, এম-এ, তীৰ্থনাথ শৰ্মা, এম-এচ-চি, দ্বীজেন্দ্ৰ তালুকদাৰ, এম-এ, বিদ্যাৰাম নাথ, এম-এ, (উপাধ্যক্ষ), কনক চন্দ্ৰ ডেকা, এম-এ, মহেন্দ্ৰ কটকী, এম-এ (ডাবোল), বি-টি, এম-ফিল, দিবাকৰ চন্দ্ৰ দাস, এম-এ।

২য় শাৰী থিয় হৈ বাওঁফালৰ পৰা—সৰ্ব্বশ্ৰী ফণীন্দ্ৰ নাথ, এম-এ, বি-টি, বেৰকান্ত ডেকা, (গ্ৰন্থাগাৰ যোগালী), প্ৰসন্ন কুমাৰ নাথ, এম-এ, শৈলেন চহৰীয়া, এম-এ, বৰ্ণালী শৰ্মা, এম-এ, গুলতাজ বেগম, এম-এ, জ্যোস্না নাথ, এম-এ, বি-টি, মালিনী নায়াৰ দত্ত, এম-এ, প্ৰভা দেৱী, এম-এ, তন্দ্ৰালী চৌধুৰী, এম-এ, বি-টি, এম-ফিল।

৩য় শাৰী থিয় হৈ বাওঁফালৰ পৰা—সৰ্ব্বশ্ৰী গৌতম বৰুৱা, বি-এ নিম্নবৰ্গ সহায়ক), দিলচা আলি (চকিদাৰ), মণ্টু চহৰীয়া (সম্পাদক, আলোচনী), কমিৰাম শইকীয়া, (নৈশ চকিদাৰ)।

# ঃ কবি মই সৃষ্টিকৰ সুন্দৰ বিশ্বৰ ঃ

শ্ৰীবেৰণ চন্দ্ৰ নাথ
অধ্যক্ষ

কবি মই সৃষ্টিকৰ সুন্দৰ বিশ্বৰ
শব্দৰ যাদুৰে খেলো অনিন্দ্য সুন্দৰ
ছন্দময়, ৰসময় ভাষাৰ উদ্যান
লহৰে লহৰে নাচে মন মন্দাকিনী
পাৰ ভাগি ব'ই যাই সুনীল সাগৰ।

কল্পনাৰ বিলাসীতা কবিকাননত
সপোন কুঁৱৰী পাতে হৰলুকি মায়া,
নাচে-বাগে মন-পখী অৰঙে-দৰঙে
বুটা-বছা আকাশত তৰালিৰ খেল
শ্ৰষ্ঠা-দ্ৰষ্ঠা কবি সাধক মহান।

ৰূপ-তীৰ্থ যাত্ৰী কবি সৌন্দৰ্য্য পিয়াসী
হৃদয় পখীটি উৰে ৰাজৰাণী হ'ই
যেন অলংকাৰ বিভূষিতা ৰূপহ কুঁৱৰী,
আনন্দৰ মহামেলা ঢালে পেমামৃত
প্ৰকৃতিৰ ঘৰে ঘৰে সখিয়তী মেল।

কলাকাৰ, গীতিকাৰ কবি সুন্দৰৰ
সোণালী কাপেৰে খেলে জীৱনৰ খেল,
ক্ষুদ্ৰত বিশাল গোখোজত সাগৰ মহান
তৰঙ্গে-তৰঙ্গে ভাহে গীত ছন্দ সুৰ
কল্প জগতৰ কবি জীৱন মধুৰ।

## শ্ৰদ্ধাৰ্ঘ্য ড° নেওগ দেৱলৈ············

শ্ৰীমহেন্দ্ৰ কটকী
প্ৰৱক্তা, অসমীয়া বিভাগ।

হে সাধক জ্ঞানৰ পূজাৰী
মহা পূণ্যৱান জাতিৰ কাণ্ডাৰী
দীপ্ত নয়নে তুমি
চালা পিতৃপিতৃকৈ
বুলালা চেনেহী হাত,
ভাষাৰ বাকৰিত,

সেউজী সেউজী বোল সনা
তোমাৰ সৃষ্টিৰ
সোণালী শইচ
নন্দন বদন চোন
আজি আইৰ চোতালত ;

হে মধুকৰ,
খুচৰি খুচৰি তুমি
নিতে নৱৰস সাজি
কঠিনক মূচৰি
নতুনক সাদৰি
ঢালি দিলা
ভাষাৰ বেদীত ।

হে ভীষ্মৰূপী পিতৃ —
নিঠুৰ কালৰ সোঁতত
গৰা খহনীয়াত পৰি
থৌকি বাথৌ কৰা
তোমাৰ ভাষাক
ৰাখিবলে ধৰিলা
কঠোৰ ব্ৰত
নীৰৱ সাধনাৰে ।

হে তপস্বী—
একান্ত ধ্যানেৰে
কঠোৰ ত্যাগেৰে
শিৰোমনি শংকৰক
জীৱন্ত কৰি
ন ৰূপেৰে গঢ়িলা
তুমি খনিকৰ ;

নেজানিলো তোমাৰ
জ্ঞানৰ মহিমা
তথাপি মাতিছোঁ তোমাক
চোৱাহি এবাৰ
তোমাৰ পূজাৰী সৱে
যাচিছে ভক্তিৰ অৰ্ঘ
তোমাকে সুঁৱৰি ।

[ উক্ত কবিতাটি ২৩ অক্টোবৰ '৯৫ তাৰিখে মহাবিদ্যালয় অসমীয়া বিভাগৰ দ্বাৰা অয়োজিত ড° মহেশ্বৰ নেওগৰ 'স্মৃতিচাৰণ' অনুষ্ঠানত পঠিত । ]



## অপেক্ষা

—অনুৰাধা বৰা
স্নাতক ১ম বাৰ্ষিক

হিয়াৰ পখিলা তুমি
কলৈ গলা উৰি
তোমাৰ কাৰণে মই
বাট চাই ৰলো অতবেলি
তুমি যে আৰু নাহিলা ঘূৰি ।
হিয়াৰ পখিলা তুমি
গলা কলৈ উৰি ।

## এইখনেই মোৰ দেশ

-অসীম কুমাৰ নাথ
স্নাতক ২য় বাৰ্ষিক

এইখনেই মোৰ দেশ
য'ত নিশাৰ ভিতৰতে সলনি হয়
বিপ্লৱীৰ দেশপ্ৰেম,
য'ত নিষিদ্ধ কৰা হৈছে
বায়ু-বতাহ আৰু মানুহৰ কণ্ঠ
যাৰ বজাৰত বিক্ৰী হয়
মানৱতা
আদৰ্শ
সততা

সেইখনেই মোৰ দেশ য'ত
কব নোৱাৰি ''''
'আই তোমাক ভাল পাওঁ' বুলি
"পৰিবৰ্তন" সঁচাই লাগতি থৰি ॥

<>

## ঃ তেজলগা পতাকা

—কুমুদ শইকীয়া
স্নাতক ১ম বাৰ্ষিক

সৌ সুদূৰত
পতাকাখন আমাৰ
জুই শিখাৰ দৰে জ্বলিছে

বসন্তৰ আকাশখনত
খৌকি বাখৌ কৰিছে
তৰাবোৰে চাইছে
তেজৰ ঢৌ।

মোৰ ক্লিষ্ট দেহত
পতাকাখনৰ জৰী গছেৰে
তেজৰ টোপাল নিগৰি পৰিছে।

সুদূৰত পতাকাখন আমাৰ
জুই শিখাৰ দৰে
তেজৰ চেকুৰা পৰিছে
দপ দপকৈ জ্বলিছে ॥

•ooo•

## দুঃসময়

- অঞ্জন হাজৰিকা
উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক

তুৰবিৰ দলিচাত
সময় বাগৰি নপৰে
হাতৰ মুঠিত্তে সি
বৰণ সলায়,

গতি কৰে তুখৰ ভবিষ্যতলে।
সুখৰ নিজৰাৰ পানী
য'ত ৰঙা হয়
তাত সময় ক্ষন্তেক ৰয়।

দিনান্তৰ সতে মিতিৰালি পাতি
এঙামুৰি দি খোজ দিয়ে
নতুন দিনৰ উলাহত
সময়ৰ কেঁকুৰা চোৰৰ উৎপাতত
এতিয়া আমিও সাৰ পাওঁ।

নিচান একোখন মুঠিত
আনে নেদেখাকৈ লৈ সিহঁতে
প্ৰচণ্ড গতিৰে আগবাঢ়ে
পশ্চিমৰ পৰা পূবলৈ ॥

## তোমাৰ o o o o o . .

- দ্বিপেন বৰা
উচ্চতৰ মাধ্যমিক, ২য় বাৰ্ষিক

শিল্পী,
তোমাৰ চকুলোবোৰ
কবিতা হৈ মোৰ
মনৰ পৰ্দাত ভাঁহে।
তোমাৰ মৰ্মস্পৰ্শী বেদনা
মোৰ হৃদয়ত জাগে,
তোমাৰ স্বপ্নবোৰ উৰি গৈ
সোণালী কাৰেঙত হাঁহে।
তুমি হাঁহি, কান্দি, নাচি
কবিতাবোৰ সতেজ কৰি তোলা।
তোমাৰ প্ৰেমৰ আহে আহে
তোমাৰ গানৰ সুৰে সুৰে
তোমাৰ প্ৰাণৰ ৰন্ধে ৰন্ধে
মোৰ বেদনাবোৰে সাৰ পাই উঠে।
মই কবিতাৰ পাতত চকুলো টুকো,
তোমাৰ আনন্দত, তোমাৰ সুৰৰ মূৰ্চনাত।

::()::



## ←নিৰুপায়→

—বগীৰাম নাথ
স্নাতক ১ম বাৰ্ষিক

মোৰ শৰীৰৰ ভাঁজে ভাঁজে
মহাকালে খেলা কৰে
গোপনে গোপনে।

অনাদি কালৰ পৰাই আলফুলে
মোৰ সতে ক'ত কথা কয় কাণে কাণে।
মইতো তোমাৰ ভাষাৰ ইংগিত নুবুজো
মই মোক লৈয়েই কটাই দিও পলে পলে ॥

— — অদূৰত তোমাৰ
নীৰৱ হাঁহিত
চক্ খাই উঠো!

তেতিয়া দুখ বেজাৰ আৰু
ক্লান্তিত চকু দুটা মুদি দিওঁ
অকনি আশ্ৰয়ৰ বাবে,

— — মই নিৰুপায়
কালৰ আশ্ৰয় বিনে।

## আন এটা কবিতা


- নিপেন নাথ
স্নাতক দ্বিতীয় বাৰ্ষিক


চাই থকা
চকু জুৰিলৈ
চকুৱে মাতিছিল জোনাক
আৰু
বুকুলৈ
বুকুৱে সজাই থৈছিল অনুভূতি
ওঁঠ দুটা

ওঁঠ দুটাই জানো সহঁাৰি দিয়া নাছিল
জীৱন আৰু যৌৱনৰ
কিয় বাৰু এই মণ্ডপত
এহাল চকুৱেই বিচাৰি থাকে অহৰহ
তোমাৰ প্ৰেমৰ সংজ্ঞা জানো দিব
পাৰিবা
সাঁচটি ধৰি
প্ৰেম, মৰম ভৰা
মানুহ জনক
যি অহৰ্নিশে
প্ৰেমৰেই বা দি যায়
যি তোমাৰ দেহৰ ফল
খোৱাৰ হেপাহত
জ্বলে দিন ৰাতি
মনৰ ঘৰত।

\+ +

## অনুভৱ উপলব্ধি ইত্যাদি........


ব্ৰজেন নাথ
প্ৰাক্তন ছাত্ৰ


আচলতে তুমি একোৱেই অনুভৱ নকৰা
উদাসীন আকাশৰ মাজত ধিমিকি ধিমিকি কৈ থকা
অস্পষ্ট তৰালিৰ স্পষ্টতা
সোৱণশিৰ বলুকাত পাক ঘূৰণি খাই থাকে
কেৱল তোমাৰ কথা
আচলতে তুমি একোৱেই অনুভৱ নকৰিলা।
বুকুত হাত থলেই পাবা
জীৱনৰ সংজ্ঞা
স্পন্দিত হৈ ঘূৰি থাকে
সেইবোৰ কথা
অবিৰাম মোৰ কলিজাত লাগি থাকে
শতাব্দীৰ নিশাৰ অমানিশা
ৰিণি ৰিণি প্ৰতিধ্বনিত হয়
কেৱল বিশাল শূণ্যতা
আচলতে তুমি একোৱেই অনুভৱ নকৰা।
মই এতিয়া বিচৰণ কৰো
নিষিদ্ধ প্ৰান্তত, পোহৰে-এন্ধাৰে
বেশ্যালয়ৰ মণিকোঠ মোৰ অতিকে চিনাকী
কিয়নো সিহঁতেই এতিয়া মোৰ লগৰীয়া
কেনেকৈ জনাম তোমাক হৃদয় ফালি
মৰিচিকাৰ প্ৰৱঞ্চনা
উত্তাল সাগৰৰ ঢৌত এটি দুটিকৈ ডুব যায়
উল্কা কিম্বা পপীয়া তৰা
আচলতে তুমি একোৱেই অনুভৱ নকৰিলা।

••○••



## ॥ বিপ্লৱ ॥

শশীন্দ্ৰ শৰ্মা
স্নাতক, ১ম বাৰ্ষিক

মই জানো তুমি আহিবা !
কিন্তু কোন পথেদি
উত্তৰেদি নে দক্ষিণেদি
পূবে নে পশ্চিমে ?
যদি তুমি আহা
মোক তাতেই লগ পাবা –
য'ত ভঙা কলিজাৰ গীত গোৱা হয় ?
য'ত নিজৰ তেজেৰে ফাঁকু খেলা হয়।
মোক যদি বিচৰা
ব্যস্ত নগৰীৰ ৰাজপথত
ভঙা কলিজাৰ ফাঁকত
বঞ্চিত জনতাৰ লগত
মোক তাতেই লগ পাবা।
মোক বিচাৰি পাবা
বঞ্চিত জনতাৰ অৱৰুদ্ধ হৃদয়ৰ
দুৱাৰে দুৱাৰে –
তুমি মোক হয়তো কবা
মই বিপ্লৱী।

## জুঁই

গীতাঞ্জলী ডেকা
স্নাতক, তৃতীয় বাৰ্ষিক

উন্মোক্ত পশুজাকৰ ৰাজত
শোষণেই দক্ষ সিংহতৰ—
দুহাতত চোকা তৰোৱাল
মূৰ তুলিলেই ৰপিয়াই সিহঁতে
মুক্তিকামী নিৰীহ জনতাক।
সিহঁত তেজপিয়া –
মুমূৰ্ষ জনতাৰ তেজ পি
কৰিছে তাণ্ডৱলীলা।
জনতাৰ হৃদয়ত জ্বলিছে
নিৰাশাৰ জুই।

## তোমালৈ.........

পৰাগ কুমাৰ ডেকা
স্নাতক, তৃতীয় বাৰ্ষিক

এমুঠি জোনাক মোৰ চোতালত বিৰিঙিছে
সৌন্দৰ্য্যৰ বুকুফালি চাবলৈ বৰ মন গৈছে
শান্তিৰ বুকুখনো।

এজাক আনন্দই দোলাদি কোমল কৰি যোৱা
হৃদয়খনত আকুলতাৰ প্ৰতিধ্বনিত
স্বপ্নালীৰ নিৰ্মেঘ উদাৰতাৰ নাটনি

সিদিনাৰ বোমধুনে, সেই বাবেই হৰলা
সৰলতাৰ সুযোগ লৈ এমুঠি জোনাক বিছাৰে
বিছাৰে কিবা মাদকতা
ওহো, তুমি কেতিয়াবা দেখিলেও
মোক নামাতিবা, মোৰ আঙুলি কেইটাত
আৰু শান্তিৰ বোল নাসানিবা, নাচাবা।
কথাও নুসুধিবা।



কিয় জানা ?
আজিৰ এই মুঠি মুঠি জোনাকৰ
শান্তিৰ স্বপ্নালীৰ সুৱপা ভৰা মাদকতাৰ মাজতো
তোমাৰ সেই স্মৃতিবোৰে
সৌন্দৰ্য্যৰ বুকুফালি চাবলৈ নিদিয়ে
নিদিয়ে সৌন্দৰ্য্যৰ হৃদয়ৰ
সঙুঁৰা বোটলি
মোৰ হৃদয়ত ৰাখিবলৈ • • •

সেইবাবে—
তুমি নাহিবা
নামাতিবা
আৰু নাচাবাও— !

# মহাবিদ্যালয় তত্ত্বাৱধায়ক আৰু ছাত্ৰ একতা সভা ১৯৯৩-৯৪ চন।



বহি বাওঁফালৰ পৰা সৰ্ব্বশ্ৰী—মঃ আব্দুছ ছামাদ, এম-এচ-চি (তত্ত্বাৱধায়ক, সমাজ সেৱা), বিদ্যাৰাম নাথ, এম-এ (উপাধ্যক্ষ, তত্ত্বাৱধায়ক, আলোচনী), ৰেৱণ চন্দ্ৰ নাথ, এম-এ (অধ্যক্ষ, সভাপতি), কনক চন্দ্ৰ ডেকা, এম-এ (তত্ত্বাৱধায়ক, সাধাৰণ সম্পাদক), মহেন্দ্ৰ কটকী, এম-এ (ডাবোল) বি-টি, এম ফিল, (তত্ত্বাৱধায়ক, খেল বিভাগ)।

থিয় হৈ বাওঁফালৰ পৰা সৰ্ব্বশ্ৰী—হিৰণ্য কুমাৰ চহৰীয়া (সম্পাদক, সমাজ সেৱা), কিৰিটি শৰ্মা (সম্পাদক, তৰ্ক আৰু আলোচনা), ভাৰতী দেৱী, (সম্পাদিকা, সাংস্কৃতিক বিভাগ), সুভাষ নাথ (সাধাৰণ সম্পাদক), মন্টু চহৰীয়া (সম্পাদক, আলোচনী)।

ফটোত অনুপস্থিত - সৰ্ব্বশ্ৰী ৰাম চন্দ্ৰ ডেকা এম-এ, (তত্ত্বাৱধায়ক, তৰ্ক আৰু আলোচনা), প্ৰসন্ন কুমাৰ নাথ এম-এ (তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), নৰ শৰ্মা (সম্পাদক, খেল বিভাগ), গণেশ শৰ্মা (সহঃ সাধাৰণ সম্পাদক)।

# ॥ সন্ত্ৰাসবাদী ॥

শ্ৰীনৰ কুমাৰ বড়া
স্নাতক ৩য় বাৰ্ষিক

"ভোকাতুৰ বাঘৰ সন্মুখত থকা বন্দী হৰিণীৰ দৰে তাই থৰ্‌থৰ্‌কৈ কঁপিবলৈ ধৰিলে ⎯ ... ।"

O O O

টক্ টক্ টক্ ; দৰ্জাত টোকৰ পৰিল। সময় তেতিয়া নিশা বাৰ বাজি ত্ৰিশ মিনিট। কোনো ধৰণৰ সাৰ সুৰ নাই। পুনৰ জোৰেৰে নখাঘাত হ'ল, টক্ টক্ টক্ ! কিছু সময় পিছত কেৰ্‌ কেৰ্‌ শব্দ কৰি বাঁহৰ দৰ্জাখন খোল খালে, দুৱাৰ মুখতে তিনিজন দৈত্যকায় বন্দুকধাৰী মিলিটাৰী ৰৈ থকা দেখি ভিতৰৰ পৰা ওলাই অহা সাতচল্লিছ বছৰীয়া বগী বুঢ়ীৰ ভয়ত অষ্ঠ কণ্ঠ শুকাই গ'ল। তথাপিতো অলপ সাহস গোটাই বুঢ়ীয়ে সহজ ভাষাতে সুধিলে — "তোম'লোকক কি লাগে বোপাইহঁত ?"

তেতিয়া তিনিজনৰ এজন হৃষ্ট পুষ্ট চেহেৰাৰ মিলিটাৰীয়ে বুঢ়ীলৈ বন্দুক টোৱাই সুধিলে— "লড়কা কাহা হ্যায় ?" বুঢ়ীয়ে একো বুজি নাপালে। একে থৰে সিহঁতৰ মুখৰ পিনে চাই থাকিল। কোনো উত্তৰ নাপাই আন এজন শকত গোঁফ থকা বন্দুক-ধাৰীয়ে সুধিলে - "অন্দৰ মে কৌন হ্যায় ?" বুঢ়ীয়ে এইবাৰো একো বুজি নাপালে। কিন্তু ঘৰৰ ভিতৰলৈ সোমাব নোৱাৰাকৈ দুৱাৰ দলিৰ মাজতে থিয় হৈ থাকিল।

বুঢ়ীৰ পৰা কোনো উত্তৰ নাপাই সিহঁতৰ অন্যজনে গৰ্জি উঠিল - "হেই তুমহাৰা লড়কা হ্যায় কি ন্যাহি ?" কিন্তু বুঢ়ীয়ে জানো এইবোৰ আওঁপকীয়া ভাষা বুজি পায় !

ইমান সময়ে ভয়তে টেপা খাই দুৱাৰৰ চুকত লুকাই থকা অঞ্জুৱে শেষত মাকৰ অৱস্থাটো বুজি বাহিৰ ওলাই আহি সিহঁত কেইটাক সকলো বুজাই দিবলৈ সিদ্ধান্ত ললে। অঞ্জু ! বগী বুঢ়ীৰ পাচোটি সন্তানৰ ভিতৰত মৰি হজি অঞ্জুৱেই ৰৈছিল পেটমোছা হৈ। খুজি মাগি বুঢ়ীয়ে তাইক ডাঙৰ দীঘল কৰিছে। এইবাৰ নৱম মানৰ ছাত্ৰী তাই। দেখাত যেনেকৈ সোণপাহী গাওঁখনৰ ভিতৰতে একখোপ চ'ৰা, তেনেকৈ কামে বনে, পঢ়া শুনাইও অঞ্জুৰ কৃতিত্ব সমান। ভাল গীত গায় তাই। মুঠতে তাহাতৰ গাওঁৰ ভিতৰতে

বুঢ়ীৰ জী অঞ্জুৰ নাম সহৰ মুখত। অঞ্জুয়ে জানে যে এছাম উদীয়মান যুৱক-যুৱতীয়ে ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়, দেশৰ চলি থকা অন্যায় নিয়ম-কানুন, নিৰপৰাধী নিমাষিতৰ ওপৰত অন্যায় অত্যাচাৰৰ বিৰুদ্ধে তথা নিজ দেশমাতৃৰ হকে হাতত অস্ত্ৰ তুলি লবলৈ বাধ্য হৈছে। আৰু চৰকাৰে ইহঁতবোৰক সন্ত্ৰাসবাদী নাম দি দমনৰ নিমিত্তে দোষী নিৰ্দোষী নিৰ্বিচাৰে যাৰে তাৰে ওপৰত যিকোনো অত্যাচাৰ চলাবলৈ এই পোহনীয়া বন্দুকধাৰীবোৰক সম্পূৰ্ণ স্বত্ব প্ৰদান কৰি এৰি দিছে। নিৰ্বলীৰ ওপৰত ইহঁতবোৰৰ অভিযানৰ সাফল্য অত্যাধিক। কত কিমান যে লোমহৰ্ষক ঘটনা ঘটা নাই এই কেইদিনত। —— ক্ষন্তেক সময়ৰ বাবে জিকাৰ খাই উঠিল অঞ্জু —।

অঞ্জুয়ে ভাবিছিল সিহঁতকেইটাক তাই বুজাই দিব যে মাক আৰু তাইৰ বাহিৰে ঘৰখনত আৰু আন কোনো প্ৰাণী নাই। কিবা ভাবি তিৰাশীৰ আন্দোলনত শ্বহীদ হোৱা দদায়েক খৰ্গেশ্বৰৰ ফটো এখন হাতত লৈ মাকক একাষৰীয়া কৰি তাই বাহিৰলৈ ওলাই আহিল।

তাইক দেখিয়েই এজন বন্দুকধাৰীয়ে এটি বিকট হাঁহি মাৰি কৈ উঠিল, "অন্দৰ মে তো বহুত টাজা মাল হ্যায়।" তাইৰ কোনো কথাই সিহঁতে আৰু শুনিলে। শকত গোফ থকা মিলিটাৰী জনে তাৰ বাওঁগালৰ গোফৰ আগটো অকণমান ওপৰলৈ দাঙি চকুৰ ঠাৰ এটা মাৰি আন দুজনক নিৰ্দ্দেশ দিলে - "লে যাও ইচকো, কম্‌ৰে মে বন্ধ কৰ দো।" সিহঁতে বুঢ়ীলৈ ভ্ৰূক্ষেপ নকৰাকৈয়ে অঞ্জুক ঘৰৰ ভিতৰলৈ টানি লৈ গ'ল। তাই চিঞৰি দিব খুজিছিল যদিও 'হাল্লা' কৰিলে দুয়োকো 'খটম' কৰি দিব বুলি সিহঁতে মাক-জীয়েক দুয়োকো কঠোৰ নিৰ্দ্দেশ দিলে। ভয়তে অঞ্জুৱে চকু দুটা মুদি দিলে। —আৰম্ভ হ'ল তাইৰ ওপৰত এজন এজনকৈ তিনিজন পিশাচৰ উন্মাদ আনন্দৰ ছফৰ।

ভিতৰৰ পৰা অঞ্জুৰ যন্ত্ৰণাকাতৰ চিঞৰ ভাঁহি আহিল। মাকে জ্ঞানশূন্য মাঠাটোৰেও যেন কিবা এটা বুজি উঠিছিল। ইফালে সিফালে বিচাৰি ঘৰৰ ভিতৰত বেৰত খুচি থোৱা নাল নোহোৱা দা এখন উলিয়াই আনি বুঢ়ীয়ে দিলে এজনৰ গাত বহুৱাই। বুঢ়ীয়ে তেতিয়া 'ভয়' নামৰ দৈত্যটোক নিজৰ ওচৰৰ পৰা বহু দূৰলৈ পঠিয়াই দিছিল। দাবাঘাত পোৱা মিলিটেৰী জনে কেকাই উঠিল যদিও নিমিষতে আন এজনে বন্দুকৰ কুণ্ডাৰে বুঢ়ীৰ বুকুত এটি প্ৰচণ্ড খুন্দা দিলে। বুঢ়ী 'ধম' কৰে বাগৰি পৰিল। তাৰ পাছত অঞ্জুয়ে আৰু কব নোৱাৰে।

জ্ঞান পাই উঠি অঞ্জুই দেহত তীব্ৰ বিষ অনুভৱ কৰে। ঘটি যোৱা ঘটনাবোৰ মনত পেলাবলৈ চেষ্টা কৰে তাই। হঠাতে মাকৰ কথা মনত পৰাত চাই দেখে মাক ওপৰমুৱা হৈ মজিয়াত পৰি আছে। তাই মাকক কেইবাবাৰো মাতি সহাঁৰি নাপালে। নিশ্চিত বিপদৰ গোন্ধ পালে অঞ্জুৱে। বহু কষ্টেৰে বিছনাৰ পৰা নামিব চেষ্টা কৰোঁতেই বিবস্ত্ৰ জৰ্জৰিত তাইৰ অৱশ দেহাটি মাটিত বাগৰি পৰিল। তাই চুঁচৰি চুঁচৰি গৈ মাকৰ নিৰ্জীৱ দেহাটিৰ ওপৰত পৰি উচুপি উঠিল। তাইৰ যে আজি হিয়া উজাৰি কান্দিবলৈও দেহত শক্তি নাই। কিন্তু হায়! ইতিমধ্যেই বগী বুঢ়ীৰ দেহৰ পৰা প্ৰাণ পক্ষীয়ে উৰা মাৰিছিল মুক্ত আকাশলৈ।

তেতিয়াও ৰাতি পুৱাবলৈ হয়তো কিছু সময় বাকীয়েই আছিল। তাহাঁতৰ গাওঁৰ পশ্চিম প্ৰান্তত থকা মুছলিম গাওঁখনৰ মছজিদটোৰ পৰা ৰিণিকি ৰিণিকি ভাঁহি আহিছিল পুৱতি নিশাৰ আজানৰ শব্দ—

আল্লাহু আকবৰ

ইলাহা ইলাল্লা

ইলাল্লাহ মহম্মদৰ ৰাচুল উল্লা

ৱাছহাহু আল্লা মহমদন

আব্দুহু ৱাৰাচুলহু — — ।

অঞ্জুৱে যেন দেখিবলৈ পালে বহু দূৰৈৰ পৰা মাকে সেই চিনাকী হাঁহিটিৰে তাইক হাত বাউল দি মাতি আছে। আৰু অঞ্জুৰ অনুভৱ হ'ল তাইও যেন ক্ৰমে ওপৰলৈ উঠি গৈ আছে শূণ্যেৰে মাকৰ ওচৰলৈ।

অৰুণোদয় হবলৈ তেতিয়াও কিছু সময় বাকী।

---

নিজ মাতৃক অৱহেলা কৰি দেশমাতৃক সেৱা কৰিবলৈ যোৱাটো ভণ্ডামী মাথোন।

—দেশভক্ত তৰুণৰাম ফুকন

তুমি যদি জ্ঞানী হ'ব খুজিছা তেন্তে প্ৰথমে জিভাক শাসন কৰা

- লেভষ্টাৰ

নিজৰ ভুল সংশোধন কৰা, ভুলটো স্থায়ী কৰিবলৈ অভিনয় নকৰিব।

- শ্বেক্সপিয়েৰ

# "অনুশোচনা"

এম, মজিদ আলি
স্নাতক ২য় বাৰ্ষিক ক'লা

সেইদিনা আছিল মঙ্গলবাৰ। বতৰ খুব সেমেকা। বন্ধু অনিলৰ সৈতে আমি নৈনে কলেজলৈ গৈছিলো। সেই কলেজত অনিলৰ প্ৰিয়তমা মামনি একাদশ শ্ৰেণীৰ ছাত্ৰী। তাইক লগ পাবৰ বাবে আমি কলেজলৈ গৈছিলো।

তেতিয়া সময় ১১ বাজি ২০ মিনিট। ক্লাছ শেষ হবলৈ অৰ্থাৎ বেল মাৰিবলৈ ৩৫ মিনিট সময় থকাৰ বাবে আমি ছাত্ৰৰ কমন ৰুমলৈ খোজ ললো। গৈ থাকোতে কলেজৰ বাৰাণ্ডাত থিয় হৈ থকা ছোৱালীবোৰৰ চকুৰ চাৱনি আমাৰ খুব ভাল লাগিছিল।

আমি কমন ৰুম গৈ পোৱাত দেখিলো বহু ল'ৰা-ছোৱালীৰ ভীৰ। মাজে মাজে হাত চাপৰি আৰু খিলখিলীয়া হাঁহি। তাৰ মাজতে কোনোবা অসহায় গাভৰুৰ কান্দোনৰ শব্দ। আমি ভিতৰলৈ সোমাই গলোঁ।

মিতালী দেৱী নামৰ নতুনকৈ নাম ভৰ্ত্তি কৰা একাদশ শ্ৰেণী ছাত্ৰীজনীক ভীৰৰ মাজৰ পৰা কৈছে, মিতালী, আমি তোমাৰ পৰিচয়হে লম, কিযে পদুমকলি, তোমাৰ ভয় নাই। এইখন কলেজহে, বাঘৰ বাৰিতো নহয়। যি সুধিম কৈ যাবা। এনেতে স্নাতক ২য় বাৰ্ষিকৰ তিবো বুলি খ্যাত ছাত্ৰ ৰাজুৱে সুধিলে, কোৱাচোন মিতালী, "তুমি কলেজলৈ কিয় আহিছা ?" তাই নিৰ্ভয়ে উত্তৰ দিলে পঢ়িবলৈ, শিক্ষা লবলৈ। সকলোৱে হাঁহিলে। পুনৰ প্ৰশ্ন - 'EDUCATION' মানে তোমাৰ Subject নে তুমি লবলৈ অহা শিক্ষা ? মিতালী এইবাৰ বিপাণ্ডত পৰিল। তাই বহু সময় তলমূৰ কৰি থাকিল, এনেতে মিতুলে ভীৰৰ মাজৰ পৰা কলে, "ক'ব অ' এইজনী ন কন্যা, চাওঁ মুখখনি"। বেচেৰি মিতালীৰ মুখ ৰঙা-চিঙা পৰি গ'ল। এনেতে ৰাজুৱে আকৌ সুধিলে— কোৱাচোন পাচোতা Vowel থকা ইংৰাজী শব্দ কি ? তাই সেপ ঢুকি উত্তৰ দিলে Education সকলোৱে হাত চাপৰি বজালে। তাৰ মাজতে বিমলে চিঞৰি কলে "এইটো সুন্দৰ মেন অৱ মেডচ," পাইছে দেই।

পুনৰ ৰাজুৰ প্ৰশ্নবান। ল'ৰাৰ আটাইতকৈ প্ৰিয়বস্তু কি ? মিতালিয়ে ভয় ভয়কৈ কলে 'মৰম'। আই ঐ দেহী I love you Mitali বুলি কৈ ৰাজুৱে তাইৰ গালখনত চূণ লগাই দিলে। তাই উচুপিব ধৰিলে। মনত নানান ভয় আৰু চিন্তাই তাইক ধৈৰ্য্যহাৰা কৰি পেলাইছিল। মনে মনে ভাবিছে কেতিয়া এই ভূত মথাৰ পৰা ৰক্ষা পাওঁ। ইপিনে খিলখিলীয়া হাঁহিৰে জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন, ভীৰৰ মাজৰ পৰা অশ্লীল বাক্য তাইৰ কাণত পৰি আছে। আকৌ ৰাজুৱে সুধিলে তুমি পানীত সাতুৰিব পাৰানে ? তাই ভয় ভয়কৈ কলে—পাৰো। বাৰু তোমাৰ মনৰ মানুহজন ধৰা মই। মই থাকো নদীৰ সিটো পাৰে, তুমি থকা ইপাৰে। নদীত দলং নাই। তুমি মোৰ ওচৰলৈ কি দৰে যাবা। তাইৰ খুব ভয় লাগিছে জানোছা ভুল হয়। ভাবি থাকোতে ভীৰৰ মাজৰ এজনে চিঞৰি কলে, ঐ নাককাটি, তৎক্ষাণাত উত্তৰ নিদিয় কিয় ? মিতালিৰ দেহত শক্তি নোহোৱা হ'ল। তাই ঘৰলৈ বাকৈকৈ মনত পৰিছে। তাই ভয় ভয়কৈ উত্তৰ দিলে 'সাতুৰি'। আটাইৰে ৰং আৰু হাঁহিৰে হাত চাপৰি বজালে। এনেতে ৰাজুৱে এবাল্টি পানী মাটিত ঢালি দি মিতালিক সাতুৰিবলৈ কলে। এই বাৰহে মিতালি বিপদত পৰিল। তাইৰ দুই চকুৱেদি চকুলো বৰলৈ ধৰিলে ! তাই ক'ত আছে নিজে কব নোৱাৰা হৈ মৌন হৈ পৰিল। বহু সময় এনেদৰে থকাত ৰাজুৱে খণ্ডেৰে মিতালিৰ গালত এচৰ লগাই দিয়াতহে তৎ আহিল। তাই মনত ভাবিলে সাতোৰাৰ বাহিৰে আন একো উপাই নাই। তাই পিন্ধা কাপোৰৰে মাটিত সাতুৰিব ধৰিলে। তাইৰ গোটেই শৰীৰটো বোকাৰে লুতুৰি পুতুৰি হ'ল। ৰাজুৱে লগৰ কেইজনৰ সৈতে কি যে আনন্দ কৰিছে। তাই মনে মনে দৃঢ় সংকল্প কৰিলে, কলেজীয়া জীৱন চাৰি দিনতে শেষ কৰিম। আকৌ ভাবিছে নহয় আত্মহত্যা কৰিম নহয় প্ৰতিশোধ লম। এনেতে ৰাজুৱে কলে— মিতালি বেয়া নেপাবা। তোমাৰ সৈতে আমি চিনাকী হৈ কিছু আনন্দ কৰিছো। তুমি এতিয়া যোৱাগৈ। পিছত লগ পাম। শুভেচ্ছা থাকিল। Happy new comes.

তেতিয়া সময় ৪ বাজি ৩৫ মিনিট হৈছিল। মিতালিৰ ঘৰ জাৰণি গাৱত। গাওঁ খনি অতিকৈ পিছপৰা আৰু ভিতৰুৱা গাওঁ। তালৈ আবেলি ৪ বজাত এখন মিনি বাছ চলে। তাই কলেজত ভৰ্ত্তি হবলৈ চাৰিদিন হৈছিল। বাছখন সময় মতে গ'ল। কলেজৰ পৰা ঘৰলৈ প্ৰায় ২১ কিঃ মিঃ দূৰ। এতিয়া তাই অকলশৰে যাব লগীয়া হোৱাত ভয়ৰ মাজতে বুকুত শক্তি বান্ধি খোজ ললে। ইপিনে বিধৱা মাকে সন্ধিয়াকৈ একমাত্ৰ ছোৱালীজনী কলেজৰ পৰা উভতি নহাত পদূলি মুখত অপেক্ষা কৰি আছে। ককায়েক বৌয়েকে মাকক নানান কথাৰে বলকিব ধৰিছে। ছোৱালী কলেজত পঢ়ুৱাই হাকিম বনাব, ডাক্তৰণী বনাব। তাই কলেজত পঢ়িব গৈছেনে ল'ৰাৰ লগত ঘুৰি ফুৰি আড্ডা মাৰিছে বুলি মাকক কটু ভাষাৰে কৈ আছে। লগৰ সকলো ছোৱালী ৪ বজাতে ঘৰ পালে। তাই এই সাত বজালৈ ঘৰ পোৱা নাই। তাইক আৰু কলেজত নপঢ়ুৱাও। দৰা এটি চাই বৰলা লৈ হলেও বিয়া দিয়াৰ চিন্তা কৰিব লাগে বুলি ককায়েকে খঙৰে কৈ থাকোতে মিতালি ঘৰ পালে। ককায়েক বৌয়েৰে তাই গৈ পোৱা মাত্ৰকে কেবা চৰো মাৰিলে। তাই কান্দিব

ধৰিলে। এক্ষাৰ বাবে তাইৰ লেতেৰা কাপোৰ-কানি ককায়েকে নেদেখিলে। পিছত ককায়েক আৰু মাকৰ আগত সকলো কথা বিবৰি কলে আৰু কলেজত নোযোৱাটো ঠিৰাং কৰিলে। নিশা বিচনাত শুই থাকোতে দিনটোৰ ৰেগিঙৰ অত্যাচাৰ আৰু ককায়েকৰ গালি শপনিৰ কথাবোৰে মিতালিক বাৰুকৈ আঘাত কৰিলে আৰু জীয়াই থাকিবলৈ তাইৰ ইচ্ছা নোহোৱা হ'ল।

ৰাজুৰ সৰু ভনী বিনীতাই এইবাৰ সন্দিকৈ কলেজত বিজ্ঞান শাখাত নামভৰ্ত্তি কৰি হোষ্টেলত থাকে। ৰাজু ৰেগিঙ কৰি কলেজৰ পৰা আহি চাহ জলপান খাই আনন্দমনে টি, ভি চাবলৈ বহিল।

তেতিয়া ৭-৩০ বাজিছে। সন্ধিয়াৰ বাতৰিৰ সময়। ৰাজুৱে টি ভি টো অন কৰি বাতৰি শুনাত ব্যস্ত হ'ল। বাতৰি ঘোষিকাই ইটো সিটো বাতৰি কোৱাৰ পিছতে কৈ গ'ল "আজি গুৱাহাটী সন্দিকৈ কলেজৰ নতুন হোষ্টেলত ৰেগিঙৰ অত্যাচাৰত অতিপাত মদ্যপান কৰোৱা বাবে বিনীতা নামৰ এগৰাকী ছাত্ৰীয়ে পাচ মহলাৰ পৰা জপিয়াই আত্মহত্যা কৰিছে। ৰেগিঙৰ ভয়বহতা বন্ধ কৰিব লাগে বুলি সন্দিকৈ কলেজ ছাত্ৰী একতা সভাই দাবী জনাইছে আৰু এনেদৰে এগৰাকী ছাত্ৰীয়ে অকালতে মৃত্যুক সাবটিব লগা হোৱা বাবে গভীৰ শোক প্ৰকাশ কৰে বুলি বাতৰিটো শুনাৰ লগে লগে ৰাজুৰ মুখখন মলিন হৈ গ'ল। বাতৰিত বিনীতাৰ ঘৰৰ ঠিকনা নোকোৱাত তাৰ মনত সন্দেহ উপজিল আৰু মা-দেউতাকক কথাটো কলে। কিন্তু ঠিকনা নোকোৱা বাবে সকলোৱে ধৈৰ্য ধৰি থাকিল।

পিছদিনা ৰাজুৱে বেজাৰ মনেৰে নিজৰ কলেজলৈ গৈছে। তাৰ অৱস্থা দেখি লগৰ বন্ধুবোৰে তাক প্ৰশ্ন কৰাত সি কোনো উত্তৰ নিদি অকলশৰে থাকিব ধৰিলে। ল'ৰাবোৰে ভাবিলে, যোৱা কালি ইমান ৰং ধেমালি কৰা ৰাজুৰ কি হ'ল। হঠাৎ ছাত্ৰ একতা সভাৰ সম্পাদকে শোক সভাৰ বাবে জাননী দিলে। সকলো ছাত্ৰ-ছাত্ৰী শোক সভালৈ গ'ল লগতে ৰাজুও গ'ল। সম্পাদকে কৈ গ'ল, যোৱা নিশা ১২ বজাত আমাৰ কলেজত নতুনকৈ নামভৰ্ত্তি কৰা একাদশ শ্ৰেণীৰ ছাত্ৰী মিতালী দেৱীয়ে আত্মহত্যা কৰি মৃত্যুবৰণ কৰিছে। সেয়ে আমি ৫ মিনিট সময় মৌন থাকি মিতালীৰ আত্মাৰ চিৰশান্তি কামনা কৰা হওঁক বুলি কোৱাৰ লগে লগে ৰাজুৱে চকুৰে ধোঁৱা কোৱা দেখিলে। গোটেই কলেজখন চাৰিওফালে ঘূৰিব ধৰিলে। তাৰ বাবে বাৰে মনতো খুলি খাব ধৰিলে, এয়া মিতালীৰ আত্মহত্যা নহয় হত্যা। সি ভাবি ভাবি শোক সভাৰ পৰা পলাই আহি সিহঁতৰ ঘৰৰ পদূলি মুখত বহু মানুহৰ সমাগম দেখিলে। ৰাজুৱে চোতাললৈ সমাগমৰ মাজেৰে সোমাই গৈ দেখিলে চোতালত এখন বগা চাদৰৰ তলত এজন মানুহ। ওচৰতে বৃদ্ধ মাক আৰু দেউতাকে হিয়া ঢাকুৰি কান্দি আছে। ৰাজুৱে কাপোৰ গুচাই দেখিলে যোৱা ৰাতি টি, ভি. ৰ বাতৰিত আত্মহত্যা কৰা বুলি ঘোষণা কৰা তাৰ সৰু ভনী বিনীতাৰ মৃত দেহ। ভনীয়েকৰ অকাল বিয়োগত সিও কান্দিব ধৰিলে। কান্দোনৰ মাজতে তাৰ মনত অনুশোচনা হৈ থাকিব ধৰিলে আৰু কলে হে ভগৱান! তুমি মহান। তুমি সত্য। এয়া মিতালীৰ প্ৰতিশোধ। চৰম পুৰস্কাৰ।

# অশুচি পূজাৰ ফুল

শ্ৰীদীপেন বড়া
উঃ মাঃ ২য় বৰ্ষ

১৩/৬/৯১

মৰমৰ সোণতলিপুৰ

'দীপু—'

আজি বহুদিন হ'ল। তোমাৰ খবৰ পোৱা নাই। শুনিছো তোমাৰ হেনো বিয়া। জানা দীপু, তোমাৰ বিয়াৰ কথা শুনাৰ লগে লগে মোৰ চকুপানী বৈ গৈছিল। তথাপি ভাল লাগিছিল তোমাৰ যে বিয়া হ'ব সেই কাৰণে তোমাৰ ৰশ্মিতাজনী সঁচাই খুব ধুনীয়া। তাইক লৈ তুমি সুখী হব পাৰিবা।

মোৰ আজি মনৰ কথা দুটামান জনাব খুজিছো। তাৰ বাবে তুমি ক্ষমা কৰি দিবা দেই। তোমালৈ লিখাৰ বাবে আকৌ বেয়া নাপাবা। পুনৰ তোমাক শেষ মুহূৰ্ত্তত জনাব খুজিছো যে তোমাৰ 'ফুলৰ' আজি অপমৃত্যু হৈছে। তুমি মোক খং নকৰিবা, মই লিখিবই লাগিব। অৱশেষত তুমি আঁতৰি গ'লা, যোৱা!! এইখন পৃথিৱীৰ পৰা সকলোৱে মোৰ পৰা আঁতৰি গৈছে যেতিয়া তুমিও আকৌ কিয় থাকিবা? তুমিও সেইখন সমাজৰ এজন নহয় জানো?? এৰা, ভাৱিছিলো অন্ততঃ এই পৃথিৱীত মোক বুজি পোৱা লোক এজন আছে, কিন্তু, মোৰ বৰ ভুল হৈছিল তোমাক বিশ্বাস কৰি। হে ভগৱান, তুমি ইমান অপ্ৰশস্ত নিষ্ঠুৰ!! শুনিছিলো "সত্যৰ সদায় জয়"। কিন্তু, সত্যৰ জানো জয় হ'ল? মিছা এই সংসাৰখন। সঁচাকৈয়ে ইমান প্ৰৱঞ্চনাৰে ভৰপুৰ। কিন্তু মোৰ ভুল হৈছিল ক'ত? যাৰ বাবে মোক সকলোৱে ঘৃণা কৰিবলৈ আৰম্ভ কৰিলে!

দীপু, তুমি সুখী হৈ থাকা অন্ততঃ নিজক লৈ, তুমি কেনেকৈ বুজিবা মই তোমাক কিমান বিশ্বাস কৰিছিলো! কিন্তু মোৰ সেই বিশ্বাসত তুমি কুঠাৰাঘাট কৰিলা। কোনো দৰকাৰ নাছিল মোক এইদৰে প্ৰৱঞ্চনা কৰাৰ? তথাপি তোমাক মই ঘিণ নকৰো। যিহেতু তুমি নিৰ্দোষী। মোৰ বিশ্বাস যিদিনা তুমি মোক বুজিব পাৰিবা সেইদিনাই নিশ্চয় মোৰ ওচৰলৈ আহিবাই

দীপু, তুমি হয়তো ভয় কৰিছা এজনী চৰিত্ৰহীণা নাৰীৰ লগত সংসাৰ কৰি নিজৰ জীৱনটো দুঃসহনীয় হৈ পৰিব। তোমাৰ মা ভনীহঁতে হয়তো মোৰ বাবেই তোমাকো ঘিণ কৰিব। কিন্তু তুমি সচাঁই পুৰুষ হোৱা হলে মোৰ চৰিত্ৰৰ ওপৰত অহায়ণ চলাই এখন সমাজৰ আবৰ্জনা আঁতৰাব পাৰিলাহেঁতেন। যদিও মই প্ৰকৃততে আবৰ্জনা নাছিলো তুমি মোৰ লগত সম্পৰ্ক ৰখাৰ নিশ্চয় অন্ততঃ এবাৰ হলেও মোৰ ঘৰখন পৰিয়ালটোৰ কথা জানিব লাগিছিল।

জানা দীপু, তোমাৰ ওচৰলৈ অহাৰ আগতে মই বহুদিন কান্দিছিলো। বহুদিন উজাগৰে কটাইছিলো ঘৰৰ মানুহৰ অত্যাচাৰৰ বাবে। কিন্তু হঠাৎ এদিন তোমাৰ লগত চিনাকি হোৱাৰ পাচত মই ভাবিছিলো অন্ততঃ তুমি মোক ভালকৈ বুজিব পাৰিবা। তোমাৰ করুণ চকুহালৰ চাৱনিয়ে মোক বলিয়া কৰিছিল। মনত পৰিছিল হেৰাই যোৱা দিনৰ স্মৃতি। তোমাৰ লগত যেন মোৰ বহুদিনিয়া চিনাকি তেনে লাগিছিল। এদিন মই ঘৰলৈ আহিব ওলোৱা পথত তুমি চিনাকি হবলৈ মাতিছিলা। "ভন্টি তোমাক মোৰ বৰ মৰম লাগিছে।" অনুগ্ৰহ কৰি তোমাৰ চিনাকিটো দিবানে? মই তোমাক চিনাকি দিছিলো দীপু আৰু তেতিয়াৰ পৰাই হয়তো তোমাক কলেজত লগ পাব ধৰিছিলো। তোমাৰ কথামতে চলন-ফুৰণ কৰিলোঁ। তুমি মোৰ সকলো কথা শুনিবা বুলি বিশ্বাস আছিল বাবেই সকলো কথা খুলি কৈছিলো। তুমি মোৰ কথাবোৰ মাজতে শুনিছিলা। মই কিন্তু তোমাক মোৰ দুখৰ কথা কাহানিও কোৱা নাছিলো। মই ভাবিছিলো তুমি জানোচা সেইবোৰ কথা কলে বেয়াই পোৱা কিন্তু এদিন কথাৰ প্ৰসংগত ওলাই পৰিল দীপু!

"তোমাক বাৰু ককাইদেউ, বাইদেউ, মাহঁতে খুব মৰম কৰে নহয়?" তোমাক মৰম নকৰে নেকি? মোক সিহঁতে খুব মৰম কৰে। মোৰ চকু দুটা টল-টলিয়া হৈ পৰিছিল আৰু আৰু "জানা দীপু, আমাৰ মা নাই নহয়! আগতে মা জীয়াই থাকোতে মা-দেউতাৰ সদায় কাজিয়া লাগি থাকে। আমাক এজনেও ভালকৈ মৰম কৰা নাছিল। মোৰ বৰ খং উঠিছিল সেইদিনা। তেতিয়াৰ পৰাই আমাৰ মা-দেউতাৰ মৰমৰ পৰা বঞ্চিত হৈ পৰিলো। ডাঙৰ ককাইদেউৰ বিয়াৰ সময়ত ভাবিছিলো নবৌৰ পৰা মৰমৰ মাত পাম! কিন্তু দীপু, এইবোৰ মোৰ জীৱিত দিনত একোৱেই পৰিপূৰ্ণ হৈ নুঠিল। মই বৰ মৰমৰ আকলুৱা. মই এমুঠি মৰমৰ বাবে হাবিয়াস কৰি ফুৰিছো। জানোচা দুখৰ সময়ত অলপ শান্তি পায়েই দিব পৰা জনৰ ওচৰত। মোৰ এখানি মৰমৰ বৰ প্ৰয়োজন দীপু, বৰ প্ৰয়োজন।

যিদিনাৰ পৰা তুমি মোক বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছিলা আৰু তোমাৰ মৰমে মোক জীয়াই থকাৰ মানসিকতা খিনিৰ যে গান ধৰিছিল। মোৰ সকলো চেষ্টা ব্যৰ্থ হৈছিল। মাৰ মৃত্যু হৈছিল ককাইদেউৰ বিয়াৰ ছমাহ পিছত। ঘৰৰ মানুহৰ পৰা এবাৰ ভাল মাত পোৱা নাছিলো। নবৌৰ অহৰহ মোৰ ওপৰত নতুন নতুন অত্যাচাৰ চলি গ'ল। ভাবিছিলো কেইদিনমানৰ পিছত সকলো ভুল ভাগিব। কিন্তু দীপু ক্ৰমান্বয়ে এনে তাণ্ডৱ নৃত্য মোৰ ওপৰত ঘৰৰ মানুহে চলাই থাকিল যে মোৰ মৃত্যু অনিবাৰ্য্য। কিন্তু তোমাক এৰি মই মৃত্যুক আকোৱালি লব নোৱাৰিলো। দিনৰ পিছত দিন মোৰ ওপৰত ষড়যন্ত্ৰৰ মেৰপাক চলিয়ে থাকিল। সিদিনা কলেজৰ পৰা ঘুৰি অহাৰ পিছত হঠাৎ গাৰ্ডৰ মানুহৰ মুখত শুনিলো যে মই আগদিনা হেনো কিবা এটা বেয়া কাম কৰিছো।" মই অবাক হৈ গ'লো। কেতিয়াও মই তেনে এটা কাম কৰা কথা মনত নপৰে। ককাইদেউহঁতে মোক মাহি আই দৃষ্টিৰেহে চাইছিল। এই কথা নবৌৰ প্ৰবঞ্চনাত পৰি সি মোক ঘৰৰ পৰা বাহিৰ কৰি দিবলৈয়ো কুণ্ঠাবোধ কৰা নাছিল। ইমানৈল তেওঁলোক আগবাঢ়িছিল যে তেওঁলোকৰ খণ্ডৰ শেষ সীমাত উপনিত হৈছিল। ময়ো সকলো অত্যাচাৰ সহ্য কৰি ঘৰৰ পৰা ওলাই যাম বুলি ভাবিছিলো। জানা দীপু পৃথিৱীত নাৰী জাতি ইমান নিষ্ঠুৰ বুলি ভবা নাছিলো। নাৰী হৈ নাৰীৰ বেদনা বুজিব নোৱাৰিলে নবৌ আৰু মোৰ জন্মদাত্ৰি মায়ে। কিন্তু আজি মৰ্মে মৰ্মে বুজিছো নাৰী কাল নাগিনীতকৈয়ো ভয়াবহ।

দীপু, ঘৰৰ পৰা ওলাই আহিলো, কেইদিনমান মাহীহঁতৰ ঘৰত কটালোঁ। এয়া তোমাক বৰ্তমানৰ কথাকে কৈ আছো। তুমি ভবিষ্যৎ বা অতীতৰ বুলি ভুল নকৰিবা। তাৰ পিচত শুনা দীপু, কেইদিনমান পিছত কলেজত আহিয়ে তোমাক লগপাই দেখিলো তোমাৰ সাংঘাটিক পৰিবৰ্ত্তন; তোমাক আৰু বেলেগে বুজিব বাকী নাথাকিল যে, মোৰ অতীত মৰমৰ দীপু এচল নিচলা শিলৰ টুকুৰা বুলি। তোমাক ধন্যবাদ সোণ; তোমাক শত শত ধন্যবাদ। তোমাক মই খুৱেই বিশ্বাস আৰু দেহমন সপি ভাল পাইছিলোঁ। কিন্তু দীপু, তুমিতো মোক এই বিষয়ে একোকে সুধুধিছিলা? এয়া আজি দুৰন্তৰ পাৰহৈ গ'ল মোৰ যা যা বৰী জীৱনৰ। এনে দুখতো তুমি এবাৰো তোমাৰ অতীতৰ প্ৰেয়সীৰ খবৰ নললা। তোমাৰ ঘটনাটো দুৰ্ঘটনা কৰাৰ কি দৰকাৰ আছিল? কিয় তুমিয়েতো এদিন মোক কৈছিলা যে এইখন সমাজ আমি নিকা কৰিব লাগিব। কিয় এই বিলাক জানো সমাজৰ কাম নহয়? সিহঁতে এজনী নাৰীক অপমান কৰি জীৱনতো ধ্বংস কৰাৰ অধিকাৰ নবৌৰ জানো আছিল? দীপু, তুমিতো মোক এবাৰ সুধিব পাৰিলাহেঁতেন, ফুল, তোমাৰ কথাবোৰ জানো সত্য? কিন্তু তাকে নকৰি সিদিনা মোক ভীষণ অপমান কৰি তুমি কৈছিলা, "তোমাৰ দৰে চৰিত্ৰহীণা নাৰীক মতাই ভুল।" মই বুজি নাপাও আজিও কিয় তোমাৰ বাবে মই চৰিত্ৰহীনা হ'লো। জানা দীপু, নাৰী বৰ ঈৰ্ষা পৰায়ণ। এজনৰ উন্নতি হলে সিহঁতে প্ৰতি হিংসাৰ দাবানলত দাহিত হয়। আৰু অৱশেষত সিহঁতে যি-কোনো উপায়েৰে সেই নাৰীৰ চৰিত্ৰৰ কলঙ্ক আনে। মোকো তেনেই এক প্ৰবঞ্চনাৰ প্ৰচেষ্টা কৰিছে! যাৰ বাবে মই আজি পথহাৰা অস্থিৰ যাত্ৰী। মই খুব ভাল নৰেই জানিছো তোমাৰ যে মোৰ নবৌৰ ভনীয়েক ৰশ্মিতাৰ লগত বিয়া হব! বিয়াখন পিছে

ভাল দৰেই পাৰ হওঁক দিয়া। তাৰৈ আশীৰ্বাদ থাকিল। ৰশ্মিতাৰ দৰে ছোৱালী আচলতে তোমাৰ দৰে ল'বাৰ বাবে সচাঁই উপযুক্ত। তোমাৰ সংসাৰ সুখৰ হওঁক। কিয় জানো তোমাৰ বিয়া বুলি খবৰ পাই মোৰ বুকুখন তুক তুককৈ কঁপি আছে? মনত অহৰহ আহিছে তুমি দিয়া প্ৰতিশ্ৰুতিবোৰলৈ। মোৰ কাণত বাজি আছে প্ৰথম চিনাকি হোৱাৰ দিনটোৰ কথাষাৰ— এই ভন্টি তোমাৰ চিনাকিটো অনুগ্ৰহ কৰি দিবানে?

আচলতে দীপু, সিদিনা তোমাক মোৰ প্ৰকৃত চিনাকি দিয়া নাছিলো নহয়। প্ৰকৃত চৰিত্ৰহীনা নাৰীৰ চিনাকি পিচতহে দিয়ে। বাদ দিয়া দীপু, সেইবোৰ ভাৱি কি লাভ। তুমি আমনি পাইছা ইমান দীঘল এখন অৰ্থহীন চিঠি পঢ়ি। দীপু, মৰিবৰ সময়ত পুনৰ তোমাক কৈ যাওঁ, "তোমাৰ ফুল তুমি ভৱাৰ দৰে সদায় ফুলি থাকিব, তাইৰ চৰিত্ৰত কোনো কলঙ্ক নাই, আৰু তুমি অন্ধ বিশ্বাস কাহানিও নকৰিবা।"

আজি কিয় জানো মা—লৈ ঘনাই মনত পৰি আছে। দীপু; মোৰ মনত আছে। মই ন বছৰীয়া হৈ থাকোতে মায়ে কৈছিল, "মামনি, তুমি অৰূপ অৰ্থাৎ যাৰ ৰূপৰ তুলনা নাই তেনেকুৱা এজন স্বামী পাবা। এবা, মোৰ মনৰ মাজত তুমিয়েই মোৰ জীৱন। যদিও তুমি মোক ভুল বুজিছা। দীপু, পুনৰ কৈ যাওঁ, "তোমাৰ ফুল জনী কাহানিও চৰিত্ৰহীণা নহয়।" তাই এজনী নিষ্পাপ ফুল। তথাপি তোমাৰ অশুচি পূজাৰ ফুলক কাহানিও বিয়াত নলগাবা। কাৰণ মই যে তোমাৰ মনত অশুচি। যাওঁ দেই, তুমি সুখী হোৱা দীপু। দীপু, এয়া তোমাৰ পৰা চিৰ বিদায়! ভুল নুবুজিবা তোমাৰ অতীতৰ .... ।

ইতি—
তোমাৰ ভন্টি
ফুল।

+ +

> মানুহ ভুল স্বীকাৰ কৰিবলৈ লাজ পোৱা উচিত নহয়। এই কামে মানুহক অতীতকৈ বৰ্ত্তমানে তেওঁক অধিক জ্ঞানী হোৱাটোকেই বুজায়।
>
> —আলেকজেণ্ডাৰ পোপ

## ঃ আমাৰ মহাবিদ্যালয়ৰ সমাজ সেৱা দলটি—১৯৯৩—৯৪ চন ঃ




১ম শাৰী ৰাওঁফালৰ পৰা—শ্ৰীঅনুপ বৰুৱা, শ্ৰীঅনিল নাথ, শ্ৰীশশীন্দ্ৰ শৰ্মা, শ্ৰীমধু নাথ, শ্ৰীমুকুল নাথ ।

২য় শাৰী বহি বাওঁফালৰ পৰা—শ্ৰীভৰত বড়া, শ্ৰীমণ্টু চহৰীয়া, ( সম্পাদক আলোচনী ), শ্ৰীহিৰণ্য কুমাৰ চহৰীয়া, ( সম্পাদক সমাজ সেৱা ), মঃ আব্দুচ চামাদ ( প্ৰবক্তা তত্বাৱধায়ক সমাজ সেৱা বিভাগ ), শ্ৰীমহেশ নাথ, মঃ ছাহজিত ৰহমান, শ্ৰীবিজয় নাথ ।

৩য় শাৰী থিয়হৈ বাওঁফালৰ পৰা—মঃ ইছাহাৰ আলি, নবীন বড়া ( চকীদাৰ ), মঃ আব্দুল মান্নান, শ্ৰীগনেশ শৰ্মা, শ্ৰীমনিগোপাল শৰ্মা, মকুট শৰ্মা ।

# ঃ বছৰৰ শ্ৰেষ্ঠ প্ৰতিযোগিসকল ঃ




শ্ৰেষ্ঠ অভিনেতা
শ্ৰীনৃপেন ডেকা




২য় শ্ৰেষ্ঠ অভিনেতা
শ্ৰীধ্ৰুৱজ্যোতি বৰুৱা




শ্ৰেষ্ঠ পৰিচালক
শ্ৰীমাধৱ কুমাৰ নাথ



শ্ৰেষ্ঠ সাহিত্যিক
শ্ৰীঅসীম কুমাৰ নাথ




শ্ৰেষ্ঠ সমাজ কৰ্মী
মঃ ইছাহাৰ আলি



শ্ৰেষ্ঠ খেলুৱৈ
শ্ৰীতীৰ্থ নাথ শৰ্মা



শ্ৰেষ্ঠা খেলুৱৈ
শ্ৰীবীনাপাণি নাথ



শ্ৰেষ্ঠ ভলীবল খেলুৱৈ
শ্ৰীলাচিত চহৰীয়া

# 'সাধাৰণ সম্পাদকৰ প্ৰতিবেদন'

## ॥ ইং ১৯৯৩—৯৪ চন ॥

জয়জয়তে যিসকল বীৰ-বীৰাঙ্গনাই অসমী আইৰ অস্তিত্ব ৰক্ষাৰ্থে কলিজাৰ কেঁচা তেজ দান কৰি অকালতে আমাৰ মাজৰ পৰা বিদায় মাগিলে, যি সকল অতৃপ্ত আত্মাই আজিও মাতৃভাষা বিদেশী বহিষ্কাৰ আদিৰ বাবে হাহাকাৰ কৰি ঘূৰি ফুৰিছে, সেইসকল মহান ব্যক্তিত্বৰ স্বৰ্গীয় আত্মাৰ চিৰশান্তিৰ বাবে মই প্ৰাৰ্থনা জনাইছো। লগতে মোক ছিপাঝাৰ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দৰে এটি গধুৰ দায়িত্ব দি যি সকল বন্ধু বান্ধৱী আৰু শিক্ষা গুৰুৱে এই বহল সমাজখনৰ সতে চিনাকী হোৱাৰ সুযোগ কণ দিলে, তেওঁলোকলৈ মোৰ প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে কৃতজ্ঞতা জনাইছো।

বৰ্ত্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ কৰ্ত্তব্য আৰু দায়িত্বই সমাজৰ দিক্ নিৰ্ণয়ত বিশেষ ভূমিকা লাভ কৰি আহিছে। বিগত দুটা দশকত অসমৰ ছাত্ৰ সমাজৰ ঐক্যবদ্ধ সংগ্ৰামে বিশ্বৰ দৰবাৰত আমাক গৌৰৱেৰে পৰিচয় কৰি দিছে। এনে এটি মহান সংগঠনৰ এজন সক্ৰিয় কৰ্মী হিচাপে আৰু ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে মই ২৫/১২/৯৩ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰো।

### বৰ্ত্তমান সমাজ আৰু ছাত্ৰঃ

প্ৰাচীন বৈদিক শিক্ষা ব্যৱস্থাত অধ্যয়নেই ছাত্ৰৰ মূল কৰ্ত্তব্য জ্ঞান কৰা হৈছিল। কিন্তু বৰ্ত্তমান পংকিল সমাজ ব্যৱস্থা আৰু শিক্ষা ব্যৱস্থাই ছাত্ৰ সমাজক মূল কৰ্ত্তব্যৰ পৰা আঁতৰাই আনি সচেতন নাগৰিক হিচাপে বিভিন্ন দিশত মনোনিৱেশ কৰিবলৈ বাধ্য কৰাইছে তাৰেই ফলশ্ৰুতিত আজি ছাত্ৰ সমাজে বিভিন্ন সমস্যা সমাধানৰ দাবীত ৰাজপথলৈ ওলাই আহিব লগীয়া হৈছে। ফেচিষ্ট শাসক গোষ্ঠিৰ অত্যাচাৰ উৎপীড়নত আমাৰ মাজৰ বহুতে অকালতে জীৱন হেৰুৱাইছে, আন বহুতে পংগু হৈ জীৱন কটাবলগীয়া হৈছে। সেয়ে আজিৰ ছাত্ৰ সমাজ অধিক সচেতন হবৰ হ'ল ; অবশ্যে নাৰ্য্য দাবীৰ সমাধান বিচাৰোতে আমি যাতে মূখ্য উদ্দেশ্যৰ পৰা পথচ্যুত নহওঁ।

### এটুপী চকুলোৰেঃ

যোৱা ইংৰাজী ৩/১১/৯৪ তাৰিখে ছিপাঝাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত ৰেবন চন্দ্ৰ নাথ দেৱৰ সভাপতিত্বত এখন শোক সভা হৈ যায়। সভাত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য শ্ৰীযুত হৰেন্দ্ৰ ভূঞাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰা হয় লগতে ৪/১/৯৪ তাৰিখে মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক ২য় বৰ্ষৰ ছাত্ৰী শ্ৰীচম্পা ৰাণী নাথৰ আকস্মিক অকাল বিয়োগত গভীৰ শোকপ্ৰকাশ কৰা হয়। ৭/১১/৯৪ তাৰিখে মহাবিদ্যালয়ৰ মাননীয় উপাধ্যক্ষৰ সভাপতিত্বত এখন শোক সভা পতা হয় ইয়াত মহাবিদ্যালয়ৰ পৰিচালনা

সমিতিৰ প্ৰাক্তন সম্পাদক শ্ৰীযুত কেশৱ চন্দ্ৰ ভূঞাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰা হয়।

## মহাবিদ্যালয় সপ্তাহ ঃ

যোৱা ইং ২৫/১২/৯৭ তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰি ৬/১/৯২ তাৰিখৰ পৰা ১১/১/৯৪ তাৰিখলৈ ৬ দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। ৬/১/৯৪ তাৰিখে ৰাতিপুৱা ৭ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে মহাবিদ্যালয় সপ্তাহৰ শুভাৰম্ভ কৰে। ৯ বজাত সদৌ অসম ছাত্ৰসন্থাৰ পতাকা উত্তোলন কৰে - মহাবিদ্যালয় প্ৰাক্তন সাধাৰণ সম্পাদক হবিবৰ ৰহমান দেৱে। ১০ বজাৰ পৰা খেল প্ৰতিযোগিতা আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত যিসকল বন্ধু-বান্ধৱীয়ে খেল সাংস্কৃতিক আৰু সাহিত্য প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশ কৰিলে সেই সকল বন্ধু বান্ধৱীলৈ আন্তৰিক অভিনন্দন যাছিলো। লগতে যি সকলে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ভাল ফল লাভ কৰিব নোৱাৰিলে তেওঁলোকক নিৰুৎসাহ নহৈ আগলৈ প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰি যাবলৈ অনুৰোধ জনালো। ১১/১/৯৪ তাৰিখে দিনৰ ১২ বজাৰ পৰা মুকলি সভা আৰু বঁটা বিতৰণী আছিল। দুখৰ বিষয় "অসম বন্ধ" কাৰ্যসূচীৰ ফলত পিছদিনা মুকলি সভা অনুষ্ঠিত কৰা হয়। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ৰেবন চন্দ্ৰ নাথ দেৱে। মহাবিদ্যালয়ৰ অধ্যক্ষ, মাননীয় শ্ৰীযুত তনু বৰুৱা আৰু মাননীয় উপাধ্যক্ষ শ্ৰীযুত বিদ্যাৰাম নাথদেৱে মঞ্চ শোভাবৰ্দ্ধন কৰে। ইয়াত অধ্যক্ষই দিয়া ৰসাল ভাষণত ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত ৰাইজে আনন্দ লাভ কৰে। ইয়াত মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহোদয় মাননীয় শ্ৰীযুত বিদ্যাৰাম দেৱে সাৰুৱা ভাষণ দাঙি ধৰে।

## মহাবিদ্যালয়ৰ অভাৱ-অভিযোগ ঃ

সমস্যা বহুল আমাৰ মহাবিদ্যালয়ৰ সমস্যাৰ কথা কৈ বা লিখিতভাবে শেষ কৰিব নোৱাৰি। মই সাধাৰণ সম্পাদকৰ দায়িত্বলৈ আমাৰ মহাবিদ্যালয়ৰ বহুতো অভাৱ দেখা গৈছে সেইবোৰ তলত উল্লেখ কৰা হ'ল —

(১) আমাৰ মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী অনুপাতে জিৰণী কোঠা নোহোৱাৰ বাবে এক বিৰাট বিশৃংখলাৰ সৃষ্টি হৈছে শ্ৰেণী কোঠাৰ সন্মুখত থুপ খোৱা ল'ৰা-ছোৱালীৰ বা ছাত্ৰ-ছাত্ৰীৰ পৰা শিক্ষাৰ্থীৰ শিক্ষা আহৰণত যি অসুবিধাৰ সৃষ্টি হয় তাক নুই কৰিব নোৱাৰি। ফলত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ বিনষ্ট হৈছে।

(২) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনুপাতে শ্ৰেণী কোঠাৰ অভাৱ। ইয়াৰ ফলত ঘটা সলনি হোৱাৰ সময়ত শ্ৰেণীৰ কোঠাৰ সন্মুখত ছাত্ৰ ছাত্ৰীৰ যি হেচা-ঠেলা হয় তালৈ চাই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ নাই বুলিয়েই কব পাৰি।

(৩) খোৱা পানীৰ অভাৱ—মহাবিদ্যালয়ত বিশুদ্ধ খোৱা পানীৰ অভাৱ। এখন মহাবিদ্যালয় হিচাপে খোৱা পানীৰ যিখিনি সুবিধা থাকিব লাগে সেইখিনি সুবিধা নাই। তিনিটা

দমকল কিন্তু এতিয়া এটাহে ভাল বাকী দুটা অচল, কিন্তু কতৃপক্ষই আজিও টালৈ চকু দিয়া নাই

(৪) শৌচাগাৰ—মহাবিদ্যালয়ত এটা বা দুটা শৌচাগাৰ থকাটো অতি বাঞ্ছনীয়। কিন্তু ছিপাঝাৰ মহাবিদ্যালয় তেনে এটা শৌচাগাৰ নাই।

(৫) বিজুলী বিচনী মহাবিদ্যালয় নামভৰ্ত্তিৰ সময়ত মহাবিদ্যালয় কতৃপক্ষই বিজুলী বিচনী নামত (১০ ০০) দহ টকাকৈ সকলো ছাত্ৰ-ছাত্ৰীৰ পৰা লয় কিন্তু অতি দুখৰ বিষয় মহাবিদ্যালয় কোনো এটা শ্ৰেণী কোঠাত আজিও এটিও বিজুলী বিচনী নাই।

## নবাগত আদৰণী সভা ঃ

মহাবিদ্যালয় নৱাগত আদৰণী সভাখন ৭/১০/৯৪ তাৰিখে এদিনীয়া কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়। ৭/১০/৯৪ তাৰিখ ৰাতিপুৱা ৫ বজাত সমাজ সেৱাৰ কাম কৰা হয়। ৮ বজাত মহাবিদ্যায়ৰ পতাকা উৰ্ত্তোলন কৰে মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত বেবন চন্দ্ৰ নাথ দেৱে আৰু ইয়াৰ শুভাৰম্ভ হয়। ৮-৩০ বজাত সদৌ অসম ছাত্ৰসন্থাৰ পতাকা উত্তোলন কৰে মাননীয় অজিত ডেকা দেৱে সভাপতি ছিপাঝাৰ আঞ্চলিক ছাত্ৰসন্থা। দুপৰীয়া ১২ বজাত নৱাগত আদৰণী সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰে অধ্যক্ষ মাননীয় শ্ৰীযুত বেবন চন্দ্ৰ নাথদেৱে। ইয়াত নিৰ্দিষ্ট বক্তা মঃ ইদ্ৰিছ আলি, মঙ্গলদৈ আৰু বিশিষ্ট অতিথি ড° চন্দ্ৰপ্ৰভা ভূঞাই অংশ গ্ৰহণ কৰে। মাননীয়া ড° ভূঞা বাইদেউৰ সাৰুৱা ভাষণত ছাত্ৰ-ছাত্ৰী মুগ্ধ হয়। তেওঁ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক পৰিবেশৰ ওপৰত ভাষণ দিয়ে।

## কৃতকাৰ্য্যাৱলীৰ খতিয়ান ঃ

মোৰ দিনত হোৱা কৃতকাৰ্য্যাৱলীৰ খতিয়ান তলত চমুকৈ দাঙি ধৰা হ'ল। শ্বহীদ বেদীৰ কাম-কাজ সম্পূৰ্ণ কৰা হয়। এই বছৰতেই ১, ২ আৰু ৮ নং কমলৈ মজিয়া পকা কৰা হয়। মহাবিদ্যালয়ৰ শ্ৰেণী কোঠা সমূহ পুণৰ মেৰামতি কৰা হয়। ১৮ নং কমতোৰ সম্পূৰ্ণ দৰ্জ্জা, খিৰিকী লগোৱা হয়। উল্লেখযোগ্য যে মোৰ দিনতেই মহাবিদ্যালয়ৰ আগফালৰ পকীবেৰখন একাংশ সম্পূৰ্ণ কৰা হয়। আৰু ইয়াৰ উপৰিও মহাবিদ্যালয় ছাত্ৰসন্থাৰ দাবীত মহাবিদ্যালয়ৰ কতৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ শিক্ষা বিষয়ত গুৰু পাঠ্যক্ৰম দিবলৈ মানি লয়। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ সম্পূৰ্ণ উন্নতি কৰণৰ বাবে চৰকাৰী অনুদানৰ যোগাযোগ কৰা হয়। কিছুমান যাবতীয় সামগ্ৰী লোৱা হয় যেনে পিতলৰ টৌ, কাপোৰ আৰু অনান্য সামগ্ৰী।

## কৃতজ্ঞতা স্বীকাৰ ঃ

মোৰ কাৰ্য্যালয়ত বিভিন্ন দিশত দিহা-পৰামৰ্শ দিয়া মোৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়লৈ আন্তৰিক শ্ৰদ্ধা যাছিলো। লগতে পৰিচালক মহোদয় মাননীয় শ্ৰীবিদ্যাৰাম নাথ দেৱ আৰু মাননীয় শ্ৰীকনক চন্দ্ৰ ডেকা চাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাছিলো, লগতে

মোৰ কাৰ্য্য কালত যি সকল বন্ধু-বান্ধবী তথা ছাত্ৰ-ছাত্ৰী—সেই সকলৰ ভিতৰত মঃ গিয়াছ, মোৰ সহকৰ্মী গণেশ শৰ্মা, মাধৱ, দিনেশ, উমেশ, কল্পনা, হিমানী, ননী, নমিতা, জেহেৰুল, প্ৰেৰেশ, অনিমা, সবিতা আৰু বহুতো এইলোক সকলৈ মোৰ আন্তৰিক অভিনন্দন জনালো লগতে এইলোকৰ বহুমূলীয়া দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

## সামৰণী ঃ

আৰম্ভণিৰ পৰা শেষলৈকে গোটেই কাৰ্য্যকাল চোৱাত মোৰ অজানিতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত মই ক্ষমা মাগিছো। সদৌ শেষত মই দুটা এটা কথা উল্লেখ কৰিব বিচাৰিছো। ছিপাঝাৰ মহাবিদ্যালয় দৰং জিলাৰ দক্ষিণ পশ্চিম অঞ্চলৰ ভিতৰত একমাত্ৰ নিৰ্ভৰযোগ্য উৰ্চ্চ শিক্ষাৰ অনুষ্ঠান এই অনুষ্ঠানৰ সুনাম অটুত ৰখাৰ বাবে চেষ্টা কৰিব লাগিব। মহাবিদ্যালয়ৰ অনিষ্ট সাধন হোৱা কোনো কামতে ছাত্ৰ ছাত্ৰী জড়িত থাকিব নালাগে অন্য ঠাই ছিপাঝাৰ মহাবিদ্যালয়ৰ নামত কলংকৰ চেকা পৰিব। শেষত মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ আন্তৰিক অভিনন্দন ও শ্ৰদ্ধা জনাই মোৰ এই নিৰস সাধাৰণ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণী মাৰিলো। জয়তু ছিপাঝাৰ মহাবিদ্যালয়। জয়তু ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰসন্থা।

॥ জয় আই অসম ॥

ভবদীয় –

শ্ৰীসুভাষ নাথ

সাধাৰণ সম্পাদক

ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰসন্থা।

# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতিঃ
## ইং ১৯৯৩—৯৪ চন



বহি বাওঁফালৰ পৰা > সৰ্ব্বশ্ৰীবিদ্যাৰাম নাথ, এম-এ (উপাধ্যক্ষ) (তত্বাৱধায়ক, আলোচনী), ৰেৱণ চন্দ্ৰ নাথ, এম-এ (অধ্যক্ষ) সভাপতি।

থিয় হৈ বাওঁফালৰ পৰা > সৰ্ব্বশ্ৰীসুভাষ নাথ, (সদস্য), নিৰুপ্ৰভা দেৱী (সদস্যা), মঃ ইছাহাৰ আলি (সদস্য), মণ্টু চহৰীয়া (সম্পাদক, আলোচনী)।

ফটোত অনুপস্থিত > সৰ্ব্বশ্ৰীমহেন্দ্ৰ কটকী, এম-এ (ডাবোল) বি-টি, এম-ফিল (প্ৰবক্তা সদস্য), মকুল কুমাৰ চহৰীয়া, এম-এ. (প্ৰৱক্তা সদস্য), গণেশ শৰ্মা (সদস্য), অৰুণ নাথ (সদস্য), পাৰুল শৰ্মা (সদস্যা), ভাগ্য দেৱী (সদস্যা)।

## ॥ আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আচনিৰ প্ৰতিনিধি দলটি ॥



১৯৯৪ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ "ৰাষ্ট্ৰীয় সেৱা আচনি" ৰ অধিনত ২২/১০/৯৪ তাৰিখৰ পৰা ২৬/১০/৯৪ তাৰিখলৈ পূব কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা Youth Exhibition ত অংশ গ্ৰহণ কৰি সুনাম কঢ়িয়াই অনা আমাৰ মহাবিদ্যালয়ৰ প্ৰতিনিধি দলটি :
বহি বাওঁফালৰ পৰা— শ্ৰীশিৱ প্ৰসাদ চহৰীয়া, শ্ৰীহেৰম্ব কুমাৰ শইকীয়া।
থিয় হৈ বাওঁফালৰ পৰা— শ্ৰীমহেশ নাথ, শ্ৰীহিৰণ্য কুমাৰ চহৰীয়া (সম্পাদক, সমাজ সেৱা)।

## ॥ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ নাট্যদল ॥



বহি বাওঁফালৰ পৰা—
শ্ৰীকমল শইকীয়া, শ্ৰীনৃপেন ডেকা।

থিয় হৈ বাওঁফালৰ পৰা—
শ্ৰীঅসীম কুমাৰ নাথ, শ্ৰীমাধৱ কুমাৰ নাথ।

# Economic Growth And Ecological Balance

Lect. Gultaz Begum, M.A.
Deptt. of Economics

The main challenge before human kind are three, eradicate poverty to preserue peace and to conserue the environment for pursuit of keeping with the former two factors, human race has completely degraded the third factor. The realisation of the importance of ecology on economics was accepted only after 1960's. It is interesting to note that both the words economics and ecology stern from the same Greek root—'Qikos' meaning house. Whereas ecology deals with the household of nature, economics studies the household of man. The organised interaction between the two is called 'ecosystem' within which is a well-established, equilibrium circular flew. Both the obssion with GNP by developed and UDCs have severely affected this cycle. Both the North and South countries are pre-occupied with, 'growth maniw', gripped by GNP. Those who attribute environmental defilement to economic growth content that there is a direct relationship between GNP and the level of pollution. A rise in GNP usually lead to a rise in development and growth, thus stepping up the level of pollution, posing threat to gross natural product. For e.g. the Americans are enjoing the world's Righest GNP their environment is serious-by threatened by gross national pollution resulting from the sharp rise in GNP.

The present decade has been marked by a retreat from social conserns. Scientis bring to over attention urgent but complex problems bearing on over very survival, global warming, acid rain,

ozone depletion, wide spread desertification etc. Environmental degradation first seen as mainly a problem of the rich nations and a side effect of industrial wealth has become a survival issue for developing nations. It is part of the downward spiral of linked ecological and economic decline in which many of the poorest nations are trapped. Infact the gap between the North and South countries are wedening and not shrining and there is little prospects given present trends and institutional agreement, that this process will be reverse. Even after two decades of tireless efforts by world bodies, the tide of environmental degradation persists. It is already damaging human health, slowing the growth in world food production and reversing economic progress in many of countries. Between 1950 and 1984, the historical peak year, the world grain production per person climed by nearly 40%. Since then it has fallen roughly 1% a year, with the drop concentrating in poorer contries.

Anyone who thinks these environmental, agricultural and economic trends can essily be reversed need only look at population projects. Infact, an important threat to ecology is higher population growth. Our planet is passing through a period of dramatic growth and fundamental change. Our human world of 5 billion must make in a finite environment for another human world. According to UN projections the population could stabilize at beetween 8 billion and 14 bilion sometimes next century. More than 90% of this increase will occur in the poorest countries and 90% of this growth is concentuated in already bursting cities. There are some zeolots who advocates zero population growth (ZPG) as a measure to stop pollution. This Opinion has been severly counter argued. Infact it is the developed countries of the world with low population growth, that facing severe pollution problems. Yet, another factor attach to environmentaliests which attain importance is zero Economic Growth (ZEG) in which the essential ingredients are stabilijing output, slopping technological growth and maintaining zero capital accumulation. Their arguement however seen to make as sense. If the economy does not grow, the millions of people currently trapped in the quagmise of poverty will never earn erough to extricate themselves. The result of no growth economy can only be lower per capita income and mose unemployment. Further, the nation will not be able to obtain the resourees to solve its social ills. Infact, growth will probably help achieve ecological balance. Insteed of simply increasing productivity in a throughput saystem, new technology can be used to recycle resources and control pollution. These conclusions seems opparent, FIRST, a movement towards zero population growth is compatible will envirronmental improvement and the essential solution to the problem of poverty, SECOND, a short-run prescription of zero economic growth may sometimes be painful but necessary outdate to be curb inflationary excesses but it cannot be sustained as a long run goal of economic or social policy. THIRD, some redistribution of both population and the composition of output would be desirable from an ecological stand point but in a free society every effort should first be made to affain these objectives by the use of economic incentives or market oriented mechanioms before resorting to direct regulations.

What is essential is sustainable development which does not pose a threat to ecology. Sustainable development is development that meets to needs of the present without compromising the ability of future generations to meet their own needs. It is a process of change in which the exploitation of resources, the direction of investment, the orientation of technological development and institutional change are all in harmony and enhance both current and future potential to meet human needs and aspiration the common theme throughout this strategy for sustainable development is the

need to integrate economic and ecological considerations in decision making. This integration into low and into decision making system within countries has to be matched at the international level.

Humanity's inability to fit its activities into the natural pattern is changing planetary system fundamentally. Many such changes are accompanied by life threatening hazards from environmental degradation to nuclear distinetion. These now realities from which there is no escape has to be recognised and managed. The developing countries face the challenges desertification, deforestation, pollution and endure most of the poveety **associated with** environmental degradations, the industrial nations face the challenges of toxic chemicals, toxic wastes and acidification.

A number of considerations both at national and international level are being carried out for environmental protection.

Way back IN 1945, UNESCO made a reference to ecological protection. It operates a clearing house for information on national area's and genetic resources.

Again IN 1968 the Biosphere conference was held which emphasised on preservation and protection of flora and fauna around lakes, forest areas etc.

IN 1972, UN conference on the Human Environment brought the industrialised and developing nations together to delineate the 'rights' of the human family to a healthy and productive environment.

The STOCKHOLON CONFERENCE IN 1972 was an important stop towards sustainable development in which scientific and non-Government Communities played **a vital role. Principle 1 of** the Stockhalon Declaration said that, "Man has the fundamental right to freedom, equality and adequate conditions of life, in an invironment of a quality that permits a life of dignity and well being." It further proclaimed the solemn responsibility of government to protect and improve the environment for both present and future generations.



THE SECOND CLUB OF ROME Which was initially founded by an Italian. Economict, Aureli Peccei in 1968 in an association which aims at ensuring the balanced development of the various economics of the world with proper identification of the LIMITS OF GROWTH. The report of the study which areas carried out by MIT Computer expert Dennis--L--Meadow was ISSUED IN 1972. The report points out that external diseconomics can adversely affect the benefits of economic growth.

The WORLD COMMISSION ON ENVIRONMENT AND LEVELOPMENT headed by Mrs. Gro Harlem Brundtland, Prime Minister of Norway, was set up as an independent body IN 1983 by the United Nations. Its brief was to re-examine the critical environmental and development problems on the planet ant to formulate realistic properals to solve them and ensure a sustainable development. It submitted its report in MARCH 1987 which identified common concerns of human environment like population, food supply, ecosystem, urban agglomeration etc, and common measures to solve them.

A certain inter connected strategic economic development has emerged, consisting OF 6 ELEMENTS.

(1) SE—Sustain Enviroment by re-orienting life-style and slowing population growth;

(2) TT—Transform technology to suit socio-cultural aspects.

(3) LE—Lowes Energy consumption derived from connectional commercial sources;

(4) ME—Manimised Employment oppartunities to accomodate structural shift in occupational structure.

(5) TS—Stimulate Trickle-down process to ensure socio-spatial equity.

(6) NT—Neutralised Traps deprivation to facilitate meaningful participation by disadvantage group.

22 nd of DECEMBER 1989 sitted a U N conference on Environment and Development (UNced) to be held in Brazid in JUNE 1992.

Lu Rio De Janeiro over 100 Reads of states and nearly 5,000 Non-Government Organisations will work together to produce on, 'Earth Charter' to check out relation of human being with each other and with nature. The main objective is to translate into concrete solicces and actions the concept of environmentally sustainable development put forward at the epoch-making Stock Rolm Conference.

The World Bank has prepared a point environmental checklist aiming at integrated development of the economy which forms the pre-condition for sustainable economic development. Any economic project must satisfy these conditions before setting up ;

(1) Process :

It implies the analysis of alternative possibilities for both unit oparation and chemical convertion.

(2) Site assimilated capacity :

Which implies an analysis of land and water carrying capacity to determine the affects of projects to be set up.

(3) Waste Management :

This implies an analysis of all output including by products and wesstes for treatment and assimilation,

(4) Optimisation :

Analysis whereby the cost involved in the project must be cost offective. The product must not only be productive but environmental safety must also be considered,

Pollution control policies must give importance to both level of environment quality as well as methods used, Some rotable measures to control pollution ;

(1) Direct Regulation :

The method established regulations which states exactly how must of a certain pollutant a factory may law fully emit. Some polluting substances may be banned or the industry may be required to install anti-pollution equipments in its products. However the method presents some limitations like long gestation period, high cost on waste treatment projects etc.



(2) Use of price system ;

Much pollution occuss because of enternalities as market price don't reflect real costs, To get the right financial incentives use can harnest there price system by using eflluent charges becoming. An effluent charge in a price paid on each unit of pollution emilted, This approcech may be unfair, as it permits one factory to keep on polluting.

(3) Moral Persuation :

The cansumer and business class may be persuaded to act against their own short-term-interests in persuit of long term goal of social welfare, This method for obvious reasons does not seem much effective.

The next few decados are crucial. The time has come to break-out of past patterns. Attempts to maintain social and ecological stability through old approaches to development and environmental protection with increase inetability. Security must be sought through change. Our choice is new to rally behind the environmental revalution or continue on the current path moving towards a world where famine expand. beyond international relief agencies where cancer reaches epidemic proportions and where the decline in living conditions now underway in UB countries continue spreading to the extent of dropping below survival level.

In the Words of LEVER BROWN, the founder of world watch Sustitute and as edicted in 1992 State of the World Report, "If there is to be an environmental revolution it must be social revolution : the product of changing valuer, of secing ourselves, as a part of nature rather than apart from nature, of recognising over dependance on the earth's natural resources and on the goods and services they provide." ●

## Reference Book :

1. Michael P. Todro—Theories of Economic Development.
2. Clarance Zuvekas—Economic Development.
3. The Telegraph—( Daily News paper )
4. Prof. Dilip Kumar Baruah—(Deptt, of Economics) Cotton Callege.

# The Enemy

Dibakar ch. Das
Dept. of Pol. Science.

Why has thon placed those ?
And rushed me amongst who cuddle thy lad ;
I am often spelt by their nose,
They all around and show nothing but shade,

They have made me discontent,
And compelled to embrace them showing their sowrds ,
But is he really thine ? thou sent ?
Who can't conquire with his soft and mild words,

By the furs, I am being injected and tired,
When fight embracing their body like tower ;
Full of blood instead of being perspired,
Yet I face sternly and fight with my last armour,

Oh my Lord ! Give me the other,
Think of thy child who is in their midst ;
For the last, I try to place them under,
please, stop trickling down and enrol me in thy list,



# Poison of Love

Sri Bikash Sarmah
T.D.C, 2nd year.

Your approach is lovely ;
Then I caress you
You sting me through your kiss
I feel the poison
My dream breaks down.

Now, I am floating lovely
Like a Sailor
of a wrecked ship
In a sea of discomfiture
Come to me never again
to rescue.

I will ponder to getover
The calamity of cornal desire
And tell the others
Of your poisonous favours
They never look for you
And flee away when you fly
over them
Your saliva will make you aloof,